অধ্যায় ১ ঃ ৰেডিঅ'

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য (Learning Objectives)

1.2 পৰিচয় (Introduction)

1.3 ৰেডিঅ' মানে কি ঃ সংজ্ঞা আৰু উৎপত্তি (what is radio : Defination and development)

1.4 ৰেডিঅ'ৰ বৈশিষ্ট্য (Characteristics of radio)

1.4.1 বৈশিষ্ট্য (Characteristics)

1.4.2 গণ প্ৰচাৰ মাধ্যম ৰূপে ৰেডিঅ' (Radio as a mass media)

1.4.3 ৰেডিঅ'ৰ প্ৰভাৱ (Impact of radio)

1.5 ৰেডিঅ' অনুষ্ঠান সম্প্ৰচাৰৰ ইতিহাস (History of radio broadcasting)

1.5 ৰেডিঅ'ৰ আত্মপ্ৰকাশ (The beginning of radio)

1.6 ভাৰতত ৰেডিঅ'ৰ বিকাশ (Growth of radio in India)

1.7 এফ এম আৰু সমূহীয়া ৰেডিঅ' (FM and Community radio)

1.8 ৰেডিঅ' অনুষ্ঠানৰ বিষয়বস্তু (Radio content)

1.8.1 অনুষ্ঠানৰ প্ৰকাৰসমূহ (Classification of programmes)

1.8.2 বিভিন্ন ৰেডিঅ' অনুষ্ঠান (Various radio programmes)

1.8.3 ৰেডিঅ'ত অসমীয়া অনুষ্ঠান (Assamese programme in radio)

1.9 ৰেডিঅ' অনুষ্ঠান প্ৰযোজনৰ প্ৰাথমিক জ্ঞান (Elementary knowledge of Radio production)

1.10 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

1.11 অধিক জানিবলৈ (Further Reading)

1.12 অগ্ৰগতিৰ খতিয়ান (Answers to Check Your Progress)

113 সম্ভাব্য প্ৰশ্ন (Possible Questions)

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- গণ সংযোগৰ মাধ্যম হিচাপে ৰেডিঅ'ৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- ৰেডিঅ' তথা অন্য দৃশ্য শ্ৰব্য মাধ্যমৰ মাজত থকা প্ৰভেদ আলোচনা কৰিব পাৰিব

- বিশ্বত এই প্রচাৰ মাধ্যমবিধৰ বিকাশ আৰু প্রগতিৰ ইতিহাস জানিব পাৰিব
- বিভিন্ন ধৰণৰ ৰেডিঅ' অনুষ্ঠান তথা এই অনুষ্ঠানসমূহৰ উপযোগিতা সম্পর্কে আলোচনা কৰিব পাৰিব
- 'বাতৰি'ৰ সংজ্ঞা তথা অন্য আনুষংগিক কাম-কাজৰ বিৱৰণ দিব পাৰিব
- অনুষ্ঠান আঁত ধৰাৰ কলা বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

ৰেডিঅ' হ'ল এটা বিশ্বজনীন প্রচাৰ মাধ্যম। ই এটা সময়ত বিপুল সংখ্যক জনগণৰ মাজত কোনো বার্তা প্রচাৰ কৰিব পৰা সংযোগ মাধ্যম। এই দৰে বিপুল সংখ্যক শ্রোতাৰ মাজত কোনো বার্তা প্রচাৰ কৰা কামটোক 'সম্প্রচাৰ' অথবা 'Broadcasting' বোলে।

এই অধ্যায়ত আপুনি ৰেডিঅ'ৰ সংজ্ঞা, ইয়াৰ বৈশিষ্ট্য, সামগ্রিকভাৱে গণ প্রচাৰ মাধ্যম ৰূপে ইয়াৰ গুৰুত্ব, ইতিহাস তথা ভাৰতত ইয়াৰ বিকাশ, প্রভাৱ, অল ইণ্ডিয়া ৰেডিঅ'ৰ বিকাশ তথা প্রগতি, ইয়াৰ উদ্দেশ্য, সমূহীয়া ৰেডিঅ' তথা এফ এম ৰেডিঅ' ধাৰণা আদিৰ বিষয়ে পঢ়িবলৈ পাব।

১.৩ ৰেডিঅ' মানে কি ঃ সংজ্ঞা আৰু উৎপত্তি

ৰেডিঅ' হ'ল এটা গণ সংযোগ মাধ্যম। ইয়াৰ জৰিয়তে একে সময়তে কোনো এক বার্তা অগণন শ্রোতাৰ মাজত প্রচাৰ কৰিব পাৰি।

1896 চনত ইটালীৰ গৱেষক বিজ্ঞানী গুগলিল্‌ম' মার্ক'নিয়ে (Guglielmo Marconi) এটা যন্ত্র উদ্ভাৱন কৰিছিল। এই যন্ত্রটোক পাছলৈ ৰেডিঅ' নাম দিয়া হৈছিল। যন্ত্রটোৰ সহায়ত কোনো তাঁৰ ব্যৱহাৰ নকৰাকৈ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ধ্বনি প্রেৰণ কৰিব পৰা গৈছিল।

সাধাৰণতে আমি কোনো ৰেডিঅ' ষ্টেশ্যনৰ পৰা প্রচাৰ কৰা বার্তা অথবা অনুষ্ঠান শুনিবলৈ ব্যৱহাৰ কৰা যতন বিধকে ৰেডিঅ' বুলি জানো। অন্য অর্থত সেয়েহে আমি ৰেডিঅ'ক কম্পনাংকৰ সৈতে (Frequencies) বিদ্যুৎ চৌম্বকীয় তৰংগৰ (Electronic waves) স্পন্দনৰ (Modulation) দ্বাৰা সংকেত প্রেৰণ পদ্ধতি বুলিও ক'ব পাৰোঁ। বিদ্যুৎ চৌম্বকীয় তৰংগক ৰেডিঅ' তৰংগ (Radio waves) বোলা হয়। এনে তৰংগ স্পন্দিত (Oscillating) বিদ্যুৎ চৌম্বকীয় ক্ষেত্রৰ মাজেদি গতি কৰে। এনে ক্ষেত্রই আকৌ আকাশ অথবা মহাকাশৰ শূন্যতাৰে সঞ্চাৰিত হয়। বিচ্ছুৰিত তৰংগৰ কিছুমান বৈশিষ্ট্য, যেনে — এমপ্লিটিউড (amplititude), কম্পনাংক (frequencies) নাইবা ফেজ'ৰ প্রণালীবদ্ধ পৰিবর্তন সাধন কৰি তাৰ মাধ্যমেৰে

ৰেডিঅ' তৰংগ তিনি প্রকাৰৰ- শ্বর্ট ৱেভ (SW), মিডিয়াম ৱেভ (MW) আৰু ফ্রিকুৱেন্সী মডুলেটেড ৱেভ (FM)।

তথ্য সৰবৰাহ কৰা হয়। যেতিয়া কোনো এক বিদ্যুৎ পৰিবাহীৰ মাজেদি ৰেডিঅ' তৰংগ পাৰ হৈ যায়, তেতিয়া স্পন্দিত ক্ষেত্ৰখনে পৰিবাহীত এক পৰৱৰ্তী বিদ্যুৎ প্ৰৱাহ (alternating current) আবিষ্ট (induce) কৰে। ৰেডিঅ' ছেট ব্যৱহাৰ কৰি ইয়াক ধৰা পেলাই তথ্য কঢ়িওৱা ধ্বনি তথা অন্য সংকেতলৈ ৰূপান্তৰিত কৰিব পৰা যায়।

ৰেডিঅ' শব্দৰ অর্থ আৰু ব্যৱহাৰ (শব্দৰ উৎপত্তি)

আদিতে ৰেডিঅ'ক 'অনাতাৰ টেলিগ্ৰাফী' (Wireless telegraphy) বুলিও কোৱা হৈছিল। সাগৰৰ মাজৰ পৰা বিদ্যুৎ চৌম্বকীয় তৰংগৰ ৰূপত (কোনো তাঁৰ সংযোগ অবিহনে) অদৃশ্য টেলিগ্ৰাফিক বাৰ্তা প্ৰেৰণ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হৈছিল। ভূমি ভাগত একেটা বাৰ্তাকে গ্ৰাহক যন্ত্ৰৰ সহায়ত ধৰা পেলোৱা হৈছিল। অনাতাঁৰ তথ্য প্ৰচাৰ প্ৰক্ৰিয়াটোকে পোন প্ৰথমে ৰেডিঅ' বুলি নামকৰণ কৰা সকল হ'ল গ্ৰাহক যন্ত্ৰ নিৰ্মাণকাৰীসকল। ৰেডিঅ' নামটো ইংৰাজী ভাষাৰ ক্ৰিয়াপদ 'to radiate' -ৰ পৰা ওলাইছে।

সম্প্ৰচাৰ (broadcasting) মানে হ'ল শ্ৰব্য সংকেতৰ বিতৰণ। এনে সংকেতৰ জৰিয়তে অগণন শ্ৰোতাৰ বাবে অনুষ্ঠান প্ৰচাৰিত কৰা হয়। ৰেডিঅ'ৰ শ্ৰোতা সাধাৰণ ৰাইজো হ'ব পাৰে নাইবা আপেক্ষিকভাৱে বিশাল উপ-শ্ৰোতাবৰ্গও হ'ব পাৰে। এনে উপ-শ্ৰোতাবৰ্গৰ উদাহৰণ হ'ল শিশু অথবা চেমনীয়াহঁত।

ইংৰাজী শব্দ Broadcast -ৰ অর্থ হ'ল এখন বহল পথাৰত বীজ সিঁচৰতি কৰা। এই শব্দটো মিডৱেষ্টাৰ্ন আমেৰিকাৰ ৰেডিঅ' অভিযন্তাসকলে পোন প্ৰথমে ব্যৱহাৰ কৰিছিল। ইয়াৰ দ্বাৰা তেওঁলোকে ৰেডিঅ' সংকেতৰ তদ্ৰূপ বিতৰণৰ কথা বুজাইছিল। সম্প্ৰচাৰে গণ প্ৰচাৰ মাধ্যমৰ এটা বিশাল অংশ আগুৰি আছে। যেতিয়া কম সংখ্যক শ্ৰোতাই লাউড স্পীকাৰ আদিৰ দৰে মাধ্যমৰ সহায়ত সীমিত পৰিসৰৰ ভিতৰত কোনো অনুষ্ঠান শুনে তেতিয়া তাক 'সীমাবদ্ধ প্ৰচাৰ' অথবা narrowcasting বোলা হয়।

১.৪ ৰেডিঅ'ৰ বৈশিষ্ট্য

১.৪.১ বৈশিষ্ট্য

অন্য গণ প্ৰচাৰ মাধ্যমবোৰৰ দৰে ৰেডিঅ'ৰো কেইটামান স্বকীয় বৈশিষ্ট্য আছে। ইয়াৰো কিছুমান সবল দিশ আৰু দুৰ্বল দিশ আছে। মাধ্যমটো ফলপ্ৰসুভাৱে ব্যৱহাৰ কৰাৰ আগতে এই কথাবোৰ ভালদৰে বুজি লোৱা উচিত।

(ক) পোনপ্ৰথমে মনত ৰাখিব লাগিব যে ৰেডিঅ' হ'ল এটা দৃষ্টিগোচৰ নোহোৱা মাধ্যম (blind medium)। ই শ্ৰোতাৰ মনত কল্পনাশক্তি জাগ্ৰত কৰে। ৰেডিঅ' অনুষ্ঠান এটা

শুনি থকাৰ সময়ত শ্ৰোতাই কৰ্ণগোচৰ হোৱা কথাবোৰ মনৰ চকুৰে দেখা পায় তথা কণ্ঠস্বৰৰ গৰাকীক মানসপটত আঁকি লয়। সেয়েহে ৰেডিঅ' অনুষ্ঠান লেখক তথা ধাৰাভাষ্যকাৰে (commentator) শ্ৰোতাৰ মনত উপযুক্ত ছবিৰ সৃষ্টি কৰিব পৰা সাৱধানতা সহকাৰে বুজি পায় আৰু অনুষ্ঠানটোৰ স্মৃতি যুগমীয়া হয়।

(খ) ৰেডিঅ'ৰ জৰিয়তে লাখ লাখ লোকৰ সৈতে কথা হ'ব পাৰি। টেন্সমিটাৰ অথবা প্ৰেৰক যন্ত্ৰৰ পৰিধিৰ ভিতৰত প্ৰতিখন ঘৰ, গাওঁ, নগৰ, চহৰ তথা দেশৰ গ্ৰাহক যন্ত্ৰবোৰত একে সময়তে একে ৰেডিঅ' সংকেত ধৰা পৰে।

(গ) ছপা মাধ্যমত স্থানাভাৱ ঘটিব পাৰে, ৰেডিঅ'ত সময়ৰ অভাৱ ঘটে।

(ঘ) ৰেডিঅ'ৰ গতি তীব্ৰ। ইয়াৰ তাৎক্ষণিকতাৰ সৈতে অন্য প্ৰচাৰ মাধ্যমে ফেৰ মাৰিব নোৱাৰে। ই আমাক আজি ঘটা সকলো ঘটনা সংবাদ ৰূপে জনাব পাৰে নাইবা ঘটনাটো ঘটা মাত্ৰকে আমাক হুবহু অৱগত কৰাব পাৰে।

(ঙ) ৰেডিঅ' ইয়াৰ সৰল বিন্যাসৰ বাবে জনাজাত। অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' সংলগ্ন মৌলিক যতনটো তেনেই সৰল। সেয়েহে ইয়াৰ সহজলভ্যতা অইন মাধ্যমতকৈ বহু গুণে অধিক।

(চ) ৰেডিঅ'ৰ কোনো সীমা নাই। ভৌগোলিক সীমা আৰু নাগৰিকত্বৰ ধাৰণাই পৃথক কৰা সকলো ব্যক্তিৰে ই কাষ চাপিব পাৰে। ইয়াৰ কোনো নিৰ্দিষ্ট ভূ-খণ্ড ভিত্তিক সীমা নাথাকে। তদুপৰি ই নিৰক্ষৰতাৰ বাধাও হেলাৰঙে অতিক্ৰম কৰিব পাৰে।

(ছ) অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' হ'ল ব্যয় সাৰ্থককাৰী মাধ্যম। মূলধনী ব্যয় আৰু পৰিচালনা ব্যয় উভয় ক্ষেত্ৰতে এই কথা প্ৰযোজ্য।

(জ) আশে পাশে ৰেডিঅ' বাজি থাকিলেও মানুহে অন্য কাম কৰি থাকিব পাৰে।

(ঝ) ৰেডিঅ'ৰ দ্বাৰা প্ৰতি গ ৰাকী শ্ৰোতাৰ সৈতে সম্পৰ্ক স্থাপন কৰা হয় । ই এটা ব্যক্তিগত সম্পৰ্ক গঢ়ি তোলা মাধ্যম। ই শ্ৰোতাৰ অন্তৰংগ সঙ্গী।

(ঞ) ৰেডিঅ'ৰ প্ৰকৃতি ক্ষণস্থায়ী।

(ট) ৰেডিঅ' কেৱল ধ্বনিৰ ওপৰত নিৰ্ভৰশীল।

(ঠ) ৰেডিঅ' সমাৰোপন বিকৃতিৰ (interference) দ্বাৰা আক্ৰান্ত হ'ব পাৰে।

সবল দিশসমূহ ঃ

1] ৰেডিঅ'ই শ্ৰোতাৰ কল্পনাশক্তি জাগ্ৰত কৰে আৰু মানসপটত ছবি ভাহি উঠাত সহায় কৰে যিটো টেলিভিছনৰ ক্ষেত্ৰত নঘটে।

2] এটা দিশৰ পৰা চাবলৈ গ'লে ৰিডিঅ' হ'ল এটা সাৰ্বজনীন মাধ্যম। ই যিকোনো দূৰত্ব তথা নিৰক্ষতাৰ দৰে অন্তৰায়বোৰ অনায়াসে অতিক্ৰম কৰিব পাৰে।

3] ৰেডিঅ'ৰ এটা শীঘ্ৰতা আছে যিটোৰ সৈতে অন্য প্ৰচাৰ মাধ্যমে ফেৰ মাৰিব নোৱাৰে।

4] অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' নমনীয়। কম সময়ৰ ভিতৰতে ৰেডিঅ'ৰ নিৰ্দ্ধাৰিত

কার্যসূচী বাদ দি কোনো প্রাসংগিক অথবা জৰুৰী অনুষ্ঠান সম্প্রচাৰ কৰিব পাৰি।

5] ৰেডিঅ' হ'ল ব্যয় সার্থকতাৰী মাধ্যম। ইয়াৰ মূলধনী ব্যয় আৰু পৰিচালনা ব্যয় নিচেই সামান্য।

6] ৰেডিঅ'ৰ প্রধান সুবিধা হ'ল আমি ইয়াৰ অনুষ্ঠান শুনি থাকি অন্য কামো কৰিব পাৰো।

7] ৰেডিঅ' ইয়াৰ সৰল গঠনৰ বাবে জনাজাত। অন্য প্রচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ' সংলগ্ন মৌলিক যতনটো তেনেই সৰু। সেয়েহে ইয়াৰ সহজলভ্যতা অইন মাধ্যমতকৈ বহুগুণে অধিক।

8] ৰেডিঅ'ৰ কোনো সীমা নাই। ভৌগোলিক সীমা আৰু নাগৰিকত্বৰ ধাৰণাই পৃথক কৰা সকলো ব্যক্তিৰে ই কাষ চাপিব পাৰে। ই নিৰক্ষতাৰ বাধাও অতিক্রম কৰিব পাৰে।

দুৰ্বল দিশসমূহ ঃ

1] ৰেডিঅ' সম্প্রচাৰৰ প্রকৃতি ক্ষণস্থায়ী।

2] ৰেডিঅ'অনুষ্ঠান সম্প্রচাৰৰ মান দুৰ্বল হ'লে শ্রোতাই শুনাৰ আগ্রহ হেৰুৱাই পেলাব পাৰে।

3] ৰেডিঅ' কেৱল ধ্বনি নির্ভৰশীল মাধ্যম। দৃশ্যৰ অনুপস্থিতিত ইয়াৰ প্রভাৱ কম হোৱাৰ সম্ভাৱনা থাকে।

১.৪.২ গণ প্রচাৰ মাধ্যম ৰূপে ৰেডিঅ'

ৰেডিঅ' সম্প্রচাৰ হ'ল একে সময়তে বিপুল সংখ্যক শ্রোতাৰ মাজত বার্তা বিয়পাব পৰা মাধ্যমবোৰৰ মাজৰে এটা। এনে ধৰণৰ সংযোগকে গণ সংযোগ বোলা হয়। ৰেডিঅ', টেলিভিছন, কথাছবি, বাতৰি কাকত আদিক গণ সংযোগ মাধ্যম বুলি জনা যায়।

আধুনিক সমাজ প্রক্রিয়াত গণ সংযোগ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূর্ণ। এনে মাধ্যমবোৰে ৰাজহুৱা বিষয়বোৰক এখন বহল মঞ্চত আলোচনা কৰাৰ সুযোগ দিয়ে। এই মাধ্যমবোৰে আমাক বহলভিত্তিত জীৱনক উপভোগ কৰাত সহায় কৰে তথা চৌপাশৰ পৰিবেশ সম্পর্কে আমাৰ জ্ঞান আৰু বোধ বৃদ্ধি কৰে। এইবোৰ মাধ্যমে আমালৈ তথ্য কঢ়িয়াই আনি ব্যক্তিগত তথা দলীয় ব্যৱস্থা গ্রহণ কৰিবলৈ আমাক তথ্য উদ্বুদ্ধ কৰি তোলে। এনে মাধ্যমবোৰে বিশেষভাৱে উন্নয়নশীল দেশবোৰৰ সামাজিক পৰিৱর্তনৰ গতি তৰান্বিত কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সাধাৰণ সুলভতাৰ দিশৰ পৰাও ৰেডিঅ' হ'ল গণ সংযোগৰ এক অগ্রণী মাধ্যম।

১.৪.৩ ৰেডিঅ'ৰ প্ৰভাৱ


এটা গণ প্ৰচাৰ মাধ্যম ৰূপে ৰেডিঅ'ই আমাৰ ওপৰত পেলোৱা প্ৰভাৱক বহলকৈ দুভাগত বিভক্ত কৰিব পাৰি — ক) ই ব্যক্তিলৈ গাইগুটীয়া সেৱা আগবঢ়ৱাই আৰু খ) ই সামগ্ৰিকভাৱে সমাজৰ হৈ সেৱা আগবঢ়ায়।

ক) ব্যক্তিৰ বাবে ৰেডিঅ'

- ৰেডিঅ'ই অৱসৰ বিনোদন আৰু মনোৰঞ্জন লাভৰ সুবিধা দিয়ে। ই মানুহক সমস্যা আৰু উদ্বিগ্নতাৰ পৰা আঁতৰাই ৰাখিব পাৰে।
- ৰেডিঅ'ই মানুহক স্থানীয়, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বা-বাতৰি জনাৰ সুযোগ দিয়ে। ই আমাৰ চৌপাশে সংঘটিত হোৱা ঘটনাৱলীৰ বিষয়ে জানিবলৈ আমাৰ মনত সৃষ্টি হোৱা ব্যক্তিগত ঔৎসুকতা নিৰাময় কৰে।
- তথ্য তথা দিহা পৰামৰ্শৰ উৎস হিচাপে কাম কৰি ৰেডিঅ' ই সমস্যা সমাধানত সহায় কৰে।
- ৰেডিঅ'ই মানুহক জ্ঞান আৰু সজাগতা বৃদ্ধিত বৰঙণি যোগায়।
- নিঃসঙ্গ অথবা নিপীড়িত বোধ কৰা লোকক ৰেডিঅ'ই অনুপ্ৰাণিত কৰে।
- ৰেডিঅ'ই ব্যক্তিগত অভিজ্ঞতা বৃদ্ধি কৰে। ই সৃজনাত্মক মনোভাৱৰ পৃষ্ঠপোষকতা কৰে।
- ই সামাজিক আচৰণ সম্পৰ্কে পথ প্ৰদৰ্শন কৰে।
- অভিজ্ঞতাৰ ভাগ বটোৱাৰাৰ জৰিয়তে বার্তালাপৰ বিষয় যোগান ধৰি ব্যক্তিগত যোগাযোগ স্থাপন কৰে। "যোৱাৰাতিৰ অনুষ্ঠানটো শুনিছিল নে?" ..... (অসমাপ্তûþআধৰুৱা)

খ) সমাজৰ বাবে ৰেডিঅ'

- প্ৰধান সামাজিক সমস্যাবোৰৰ বিষয়ে মানুহক সজাগ কৰি তোলাত ৰেডিঅ'ই এক অনুঘটকৰ ভূমিকা পালন কৰে।
- ইয়াৰ দ্বাৰা চাকৰি, সামগ্ৰী, সেৱা আদিৰ তথ্য সম্প্ৰচাৰ কৰা হয়।
- ৰেডিঅ'ই সমাজৰ অতন্দ্ৰ প্ৰহৰীৰ ভূমিকাও পালন কৰে।
- বিভিন্ন বিষয়ৰ শিল্পী, কলা কুশলীক প্ৰতিভা প্ৰকাশৰ সুবিধা দি ৰেডিঅ'ই কলাসুলভ তথা বৌদ্ধিক সংস্কৃতিলৈ অৱদান আগবঢ়াই আহিছে।
- ই নব্য চিন্তা (idea) বিয়পি পৰাত সহায় কৰে, বৈচিত্ৰ্য তথা পৰিবৰ্তনৰ পোষকতা কৰে আৰু সামাজিক শৃংখলা বজাই ৰখাত সহায় কৰে।
- সমাজৰ উমৈহতীয়া সদস্য হিচাপে মানুহৰ মাজত এক সজাগতা বিকশাই তুলি ৰেডিঅ'ই ব্যক্তি তথা দলৰ পাৰস্পৰিক আলাপ-আলোচনাৰ পথ প্ৰশস্ত কৰি তোলে।
- ৰেডিঅ'ই ৰাজহুৱা মতামত সংগ্ৰহ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 1। 'সম্প্রচাৰ' (broadcasting) আৰু 'সীমিত প্রচাৰ'ৰ (narrowcasting) মাজত কিহৰ প্রভেদ আছে?

.....

.....

.....

.....

প্রশ্ন নং 2। ৰেডিঅ'ৰ তিনিটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰক ?

.....

.....

.....

.....

প্রশ্ন নং 3। ৰেডিঅ'ৰ সংজ্ঞা দিয়ক। ৰেডিঅ' কোনে উদ্ভাৱন কৰিছিল? এটা প্রচাৰ মাধ্যম হিচাপে ৰেডিঅ'ৰ ভূমিকা চমুকৈ আলোচনা কৰক।

.....

.....

.....

.....

প্রশ্ন নং 4। ব্যক্তি আৰু সমাজৰ ওপৰত ৰেডিঅ'ই কেনেকুৱা প্রভাৱ পেলাবলৈ সক্ষম হৈছে?

.....

.....

.....

.....

১.৫ üৰেডিঅ' অনুষ্ঠান সম্প্রচাৰৰ ইতিহাস

বর্তমান আমি আটায়ে ৰেডিঅ' শব্দটোৰ সৈতে পৰিচিত। লগতে আমি 'ৰেডিঅ' অনুষ্ঠান সম্প্রচাৰ' বোলা কথাষাৰিও প্রায়েই শুনিবলৈ পাওঁ। ৰেডিঅ'ই সংযোগৰ এক বিশ্বজনীন মাধ্যমৰ ৰূপ ধাৰণা কৰিছে। ৰেডিঅ'ৰ উদ্ভাৱন ঘটাৰ আগতে 'অনাতাঁৰ টেলিগ্রাফ' ব্যৱস্থাৰো

যোগাযোগ স্থাপন কৰা হৈছিল। দিশ নির্দেশনাৰ কামত এই পদ্ধতিটো ব্যৱহাৰ কৰা হৈছিল। সেয়েহে ক'ব পাৰি যে 'অনাতাঁৰ টেলিগ্রাফ' ব্যৱস্থাৰে যোগাযোগ স্থাপন কৰা হৈছিল। সেয়েহে ক'ব পাৰি যে 'অনাতাঁৰ টেলি গ্রাফ ব্যৱস্থাই বর্তমানৰ ৰেডিঅ' উদ্ভাৱনৰ পথ সুচল কৰি তুলিছিল।

১.৫.১ üৰেডিঅ'ৰ আত্মপ্রকাশ

ৰেডিঅ' কোনে উদ্ভাৱন কৰিছিল সেই বিষয়টোক লৈ কিছু বিতর্কৰ অৱকাশ আছে। দৰাচলতে ৰেডিঅ' হ'ল এলানি বৈজ্ঞানিক উদ্ভাৱনৰ সৈতে আনুষংগিকভাৱে বিকাশ ঘটা এটা প্রণালী। ই বিভিন্ন বিজ্ঞানীৰ নানা গৱেষণা প্রক্রিয়াৰ ফচল। তেওঁলোকৰ পৰীক্ষা-নিৰীক্ষাই ৰেডিঅ' উ দ্ভাৱনৰ পথ সুচল কৰি তুলিছিল। আমি গুগ্‌লিল্‌ম' মার্ক'নিকেই ৰেডিঅ'ৰ জন্মদাতা বুলি মানি লৈছো। 1896 চনত ইটালীয়ান উদ্ভাৱক গুগ্‌লিল্‌ম মার্ক'নিয়ে (গ্রেট বৃটেইন) পোন প্রথমবাৰৰ বাবে 'অনাতাঁৰ টেলিগ্রাফী' (Wireless Telegraphy) আৱিষ্কাৰ কৰিছিল। তেওঁ ৰেডিঅ' তৰংগক কিদৰে দীর্ঘ দূৰত্বলৈ বার্তা প্রেৰণ কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা যায় সেয়া উপযুক্ত আহিলাৰে প্রমাণ কৰি দেখুৱাইছিল। যিহেতু মার্ক'নিয়ে ৰেডিঅ' তৰংগ ব্যৱহাৰ কৰা প্রথম গৰাকী ব্যক্তি (কোনো তাঁৰ সংযোগ সংযোগ নকৰাকৈ দীর্ঘ দূৰত্বলৈ বার্তা প্রেৰণকাৰী), সেয়েহে তেওঁকেই ৰেডিঅ'ৰ জনক বুলি বিবেচনা কৰা হয়।

1907 চনত আমেৰিকা আৰু জার্মানীৰ গৱেষকসকলে প্রমাণ কৰি দেখুৱালে যে কথা আৰু অন্য ধ্বনি সৰবৰাহ কৰিবলৈ ৰেডিঅ' তৰংগ তৈয়াৰ কৰিব পৰা যায়। এনেদৰে 'ৰেডিঅ' টেলিফোন সংযোগ' (Radio Telegraphy) ব্যৱস্থাৰ সূত্রপাত হ'ল।



জনা উচিত

1909 চনত 'অনাতাঁৰ টেলিগ্রাফী'ৰ বিকাশত মার্ক'নিৰ অৱদানক স্বীকৃতি প্রদান কৰি তেওঁক পদার্থ বিজ্ঞান বিভাগৰ নোবেল বঁটাৰে সন্মানিত কৰা হৈছিল। আন এগৰাকী বিজ্ঞানীৰ সৈতে তেওঁ যুটীয়াভাৱে এই বঁটা লাভ কৰিছিল (আন গৰাকী বিজ্ঞানী কোন ?)

আমি জানো যে যুদ্ধকালীন অৱস্থাত বার্তা তথ্য প্রেৰণ হ'ল সকলোৰে বাবে এক এৰাব নোৱাৰা কার্য। বিশেষকৈ 1914 চনৰ পৰা প্রথম বিশ্বযুদ্ধৰ কালছোৱাত 'ৰেডিঅ' টেলিফোন' বহুলভাৱে ব্যৱহৃত হৈছিল।

এই যুদ্ধখনৰ পিছৰ পৰাই সম্প্রচাৰৰ বাবে অনাতাঁৰ ব্যৱস্থাই জনপ্রিয়তা অর্জন কৰিলে। এই সময়ছোৱাত যুদ্ধকালীন প্রয়োজনীয়তা হিচাপে বহুতো লোকক অনাতাঁৰ বার্তা সংকেত প্রেৰণ তথা গ্রহণ আৰু ৰেডিঅ' টেলিফোন সংযোগ স্থাপনৰ কলা শিকাবলৈ প্রশিক্ষণ দিয়া

হৈছিল। যুদ্ধৰ শেষত এই অনাতাঁৰ অপাৰেটৰসকল নিবনুৱা হৈ পৰিছিল। বহুতে পাছলৈ নিজাকৈ ঘৰুৱাভাৱে নির্মিত যতন ব্যৱহাৰ কৰি সংযোগ কৰি অনাতাঁৰ সংযোগ স্থাপনক এটা অভিৰুচি (hobby) ৰূপ দিছিল।

ৰেডিঅ'ৰ জৰিয়তে অনুষ্ঠান সম্প্রচাৰৰ সম্ভাৱনীয়তাটো এটা দুর্ঘটনাবশতঃ আৱিষ্কৃত হোৱা ঘটনা। 1916 চনত পিটছ্বার্গৰ (আমেৰিকা) এটা যন্ত্র (ৰেডিঅ') নির্মাণকাৰী কোম্পানীৰ অভিযন্তাসকলে পৰীক্ষামূলক কণ্ঠস্বৰ প্রচাৰৰ চেষ্টা চলাই আছিল। এদিন তেওঁলোকে কথোপকথন আৰু গ্রামোফোন ৰেক'র্ডৰ সংগীত সলনা-সলনিকৈ প্রচাৰ কৰি চোৱাৰ সিদ্ধান্ত ল'লে। অপ্রত্যাশিতভাৱে তেওঁলোকে তেওঁলোকৰ পৰীক্ষামূলক কার্য শুনি ভাল পোৱা বহুতো শ্রোতাৰ সঁহাৰি লাভ কৰিলে। এই শ্রোতাসকল আছিল ঘৰুৱাভাৱে নির্মিত যতন ব্যৱহাৰ কৰা এমেছাৰ ৰেডিঅ' শ্রোতা। এইসকল শ্রোতাই (amateurs) সংগীতানুষ্ঠান শুনি ইমান ভাল পালে যে তেনে অনুষ্ঠান আকৌ শুনাবলৈ তেওঁলোকে অনুৰোধ পত্র প্রেৰণ কৰিবলৈ ধৰিলে।

কিছুদিনৰ পাছতেই নিয়মীয়া অনুষ্ঠান সম্প্রচাৰ আৰম্ভ হ'ল। ষ্টেশ্যনটোক পাছলৈ (KDKA) নামেৰে (পিটছ্বার্গ, আমেৰিকাত অৱস্থিত) অনুজ্ঞাপত্র প্রদান কৰা হ'ল। এইটোৱেই হ'ল পৃথিৱীৰ প্রথমটো তথা বহু বছৰলৈ পৃথিৱীৰ একমাত্র ৰেডিঅ' অনুষ্ঠান সম্প্রচাৰকাৰী ষ্টেশ্যন(Broadcasting station)। এই ষ্টেশ্যনটো এতিয়াও সক্রিয় হৈ আছে।

সোনকালেই পৃথিৱীৰ বিভিন্ন দেশৰ প্রাক্তন অনাতাঁৰ অপাৰেটৰসকলে সম্প্রচাৰ সেৱা আগবঢ়োৱাৰ অর্থে কর্তৃপক্ষক হেঁচা দিবলৈ বিভিন্ন ক্লাব গঠন কৰিলে। চৰকাৰবোৰেও লাহে লাহে এই উদ্ভাৱনৰ অস্তিত্ব স্বীকাৰ কৰিলে। এনে দৰে বিভিন্ন দেশত পর্যায়ক্রমে ৰেডিঅ' অনুষ্ঠানৰ সম্প্রচাৰ আৰম্ভ হ'ল।

আৰম্ভণিৰ কালছোৱাত আমেৰিকাত অসংখ্য ৰেডিঅ' ষ্টেশ্যন মূৰ দাঙি উঠিছিল। ষ্টেশ্যনবোৰে ওপৰা-উপৰিকৈ অনুষ্ঠান প্রচাৰ কৰিবলৈ লোৱাৰ ফলত শ্রোতাই কোনোটো অনুষ্ঠানেই শুনিবলৈ নোপোৱা হৈছিল। এই অৱস্থা নিয়ন্ত্রণ কৰিবলৈ আৰু আকাশী তৰংগৰ সমুচিত বিতৰণৰ বাবে আমেৰিকাৰ কংগ্রেছে 'সংযোগ আইন –34' (Communication Act-34) গৃহিত কৰিছিল। ইয়াৰ দ্বাৰা দুটা ষ্টেশ্যনৰ মাজত দেখা দিয়া সমাৰোপন সমস্যাটো (Interference problems) আঁতৰ কৰাৰ চেষ্টা চলোৱা হৈছিল। অন্য দেশবোৰেও এই পন্থা অনুসৰণ কৰিছিল। ইয়াৰ পাছতেই সমগ্র বিশ্বতে ৰেডিঅ'ৰ এক সোণালী যুগৰ যাত্রা আৰম্ভ হৈছিল।

১.৬ ভাৰতত ৰেডিঅ'ৰ বিকাশ

1923 চনৰ জুন মাহত মুম্বাইৰ ৰেডিঅ' ক্লাবে ভাৰতৰ প্রথমটো ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰিছিল। ইয়াৰ পাছতেই এটা 'সম্প্রচাৰ সেৱা' প্রণালী তৈয়াৰ কৰা হৈছিল। 1927 চনৰ

জুলাই মাহত এই সেৱাৰ জৰিয়তে মুম্বাই আৰু ক'লকাতাৰ পৰা একে সময়তে পৰীক্ষামূলকভাৱে ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল। এই মৰ্মে ভাৰত চৰকাৰ আৰু 'ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানী লিমিটেড' নামৰ ব্যক্তিগত কোম্পানী চুক্তিবদ্ধ হৈছিল। 1930 চনত ভাৰত চৰকাৰে কোম্পানীটোক ৰাষ্ট্ৰীয়কৃত কোম্পানীলৈ ৰূপান্তৰিত কৰিছিল। তাৰ পাছৰ পৰা কোম্পানীটোৱে 'ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিছেজ' নামেৰে প্ৰচাৰ সেৱা চলাই গৈছিল। এই পৰীক্ষামূলক সম্প্ৰচাৰৰ সফলতাই চৰকাৰক উৎসাহিত কৰিলে। 1935 চনত সম্প্ৰচাৰ সেৱাক স্থায়ী ৰূপ প্ৰদান কৰা হ'ল। ইয়াৰ বাবে এটা পৃথক বিভাগ গঠন কৰা হৈছিল। 1936 চনৰ জুন মাহত ISBS-ক (Indian State Broadcasting Service) অল ইণ্ডিয়া ৰেডিঅ' (AIR) বুলি নতুনকৈ নামকৰণ কৰা হয়। 1957 চনৰ পৰা AIR- ক 'আকাশ বাণী' নাম দিয়া হয়। অৱশ্যে ইংৰাজী ভাষাৰ অনুষ্ঠানত ইয়াক এতিয়াও 'অল ইণ্ডিয়া ৰেডিঅ' বুলিয়েই কোৱা হয়।

সম্প্ৰচাৰৰ প্ৰশাসনিক নিয়ন্ত্ৰণ প্ৰথমে ভাৰত চৰকাৰৰ উদ্যোগ তথা শ্ৰম বিভাগৰ হাতত ন্যস্ত কৰা হৈছিল। 1937 চনত এই কৰ্তৃত্ব সংযোগ বিভাগক অৰ্পণ কৰা হয়। 1941 চনৰ পৰা তথ্য আৰু সম্প্ৰচাৰ বিভাগে এই দায়িত্ব পালন কৰি আহিছে। পৰৱৰ্তী সময়ত AIR আৰু দূৰদৰ্শনৰ প্ৰশাসনিক নিয়ন্ত্ৰণৰ ভাৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰায়ৰ (MIB) অধীনস্থ বিভাগ এটাৰ ওপৰত অৰ্পণ কৰা হয়। এই বিভাগটোক 'প্ৰসাৰ ভাৰতী (Prasar Bharati) নামেৰে জনা যায়।



জনা উচিত

মাইছো�ৰ (মহীশুৰ) বিশ্ববিদ্যালয়ৰ মহাৰাজাছ কলেজৰ অধ্যাপক এমভি গোপালাস্বামীয়ে 'আকাশবাণী' নামটো সৃষ্টি কৰিছিল। সেই সময়ত মাইছোৰ ৰেডিঅ' ষ্টেশ্যনটোত প্ৰথম 'আকাশবাণী' নামটো প্ৰয়োগ কৰা হৈছিল। পাছলৈ সমগ্ৰ ভাৰতৰে চৰকাৰী ৰেডিঅ' সেৱাটো আকাশবাণী ৰেডিঅ' নামেৰে জনাজাত হৈ পৰিল।

স্বাধীনতাৰ সময়ৰ পৰা অল ইণ্ডিয়া ৰেডিঅ' ৰ বিকাশ

1947 চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত দেশত AIR ৰ ছটা ষ্টেশ্যন আৰু ওঠৰটা ট্ৰেন্সমিটাৰৰ নেটৱৰ্ক এটাই গঢ় লৈ উঠিছিল। সমগ্ৰ ভূখণ্ডৰ 2.5% অঞ্চল তথা মাত্ৰ 11 % বাসিন্দাক এই সেৱাই সামৰি লৈছিল। স্বৰাজোত্তৰ কালত দেশত ৰেডিঅ' নেটৱৰ্ক দ্ৰুতগতিত বিয়পি পৰিছিল।

বৰ্তমান AIR ৰ প্ৰায় 231 টা ৰেডিঅ' ষ্টেশ্যন আৰু 373 টা ট্ৰেন্সমিটাৰৰ (ইয়াৰে 149 টা ফ্ৰিকুৱেন্সি মডুলেশ্যন অথবা MWৰ, 54টা শ্ৰৰ্টৱেভ অথবা SW আৰু 170 টা ফ্ৰিকুৱেন্সি মডুলেশ্যন অথবা FM ট্ৰেন্সমিটাৰ) এটা বিশাল নেটৱৰ্ক আছে। এতিয়া ই পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশখনৰ মুঠ ভূ-খণ্ডৰ 91.82 % অঞ্চল তথা 99.16 % বাসিন্দালৈ প্ৰচাৰ সেৱা

আগবঢ়ায়। AIR ৰ জৰিয়তে 24 টা প্ৰধান তথা 146 টা উপভাষাত গৃহ প্ৰচাৰ সেৱা আগবঢ়োৱা হয়। বৈদেশিক প্ৰচাৰ সেৱাৰ জৰিয়তে 17 টা ৰাষ্ট্ৰীয় আৰু 10 টা বিদেশী মুঠ 27 টা ভাষাত অনুষ্ঠান সম্প্ৰচাৰ কৰা হয়।

আকাশবাণীৰ অনুষ্ঠান সম্প্ৰচাৰ পদ্ধতি

AIR এ তিনিটা পৰ্যায়ত অনুষ্ঠান সম্প্ৰচাৰ কৰে। পৰ্যায়কেইটা হ'ল — ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু স্থানীয়।

ৰাষ্ট্ৰীয় পৰ্যায় (National Level)

ৰাষ্ট্ৰীয় ছেনেলটোক প্ৰথম পৰ্যায়ৰ মৰ্যাদা দিয়া হয়। ইয়াৰ জৰিয়তে অনুষ্ঠানসমূহ সম্প্ৰচাৰ কৰা হয়। 1988 চনৰ 18 মে'ৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ কৰা হৈছিল। এই ছেনেলৰ যোগেদি প্ৰতি ঘন্টাৰ মূৰে মূৰে হিন্দী আৰু ইংৰাজী ভাষাত সংবাদ বুলেটিন সম্প্ৰচাৰ কৰা হয়। লগতে সংসদৰ অধিবেশন চলি থকা সময়ত 'প্ৰশ্নকাল' (Question Hour) আৰু অন্য বিষয়ভিত্তিক অনুষ্ঠানো সম্প্ৰচাৰিত হয়। এই অনুষ্ঠানসমূহে ৰাষ্ট্ৰীয় জীৱনৰ বিবিধতাক প্ৰতিফলিত কৰে।

আঞ্চলিক পৰ্যায় (Regional Level)

AIR ৰ আঞ্চলিক ষ্টেশ্যনসমূহ সাধাৰণতে ৰাজ্যৰ ৰাজধানী আৰু প্ৰত্যেক ৰাজ্যৰে প্ৰধান ভাষিক সাংস্কৃতিক ক্ষেত্ৰ বুলি চিহ্নিত অঞ্চলবোৰত স্থাপন কৰা হৈছে। এই ষ্টেশ্যনবোৰে আঞ্চলিক ভাষাত অনুষ্ঠান সম্প্ৰচাৰ কৰে। ইয়াৰ জৰিয়তে দেশৰ আঞ্চলিক সংস্কৃতিৰ বৈচিত্ৰ্য প্ৰতিফলিত হয়।

স্থানীয় পৰ্যায় (Local Level)

দেশৰ বিভিন্ন অংশৰ পৰা সৰু সৰু নগৰ চহৰৰ শ্ৰোতাৰ চাহিদা আৰু ৰুচি পূৰণ কৰাৰ বাবে AIR এ বহুকেইটা FM মাধ্যমৰ ৰেডিঅ' ষ্টেশ্যন স্থাপন কৰিছে (2008 চনত ষ্টেশ্যনৰ সংখ্যা 170 টা হৈছেগৈ)। এনে প্ৰতিটো ষ্টেশ্যনে একোটা ক্ষুদ্ৰ অঞ্চলৰ শ্ৰোতালৈ সেৱা আগবঢ়াই আহিছে। ইয়াৰ জৰিয়তে সম্প্ৰদায় একোটাৰ বাবে প্ৰয়োজনীয় নানা সা-সুবিধাৰ বাৰ্তা প্ৰচাৰ কৰা হয়। AIR ৰেডিঅ' ষ্টেশ্যনবোৰে স্থানীয় চাহিদা পূৰণ কৰে আৰু অনুষ্ঠান তৈয়াৰ কৰাত স্থানীয় শ্ৰোতাৰ অংশগ্ৰহণ সুনিশ্চিত কৰে। বিষয়বস্তু বাচনি তথা যুগুত কৰাত যুৱক-যুৱতীসকলেও এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

বিবিধ ভাৰতী (Vividh Bharati)

বিবিধ ভাৰতী হ'ল AIR ৰ মনোৰঞ্জনমূলক আৰু ব্যৱসায়িক সেৱা। 1957 চনতএই সেৱা সূচনা কৰা হয়। এতিয়াও ই দেশৰ সৰ্বত্ৰ অতি জনপ্ৰিয়। এতিয়ালৈকে দেশৰ বিভিন্ন স্থানত 40 টা বিবিধ ভাৰতী ষ্টেশ্যন আছে। দেশৰ যিকোনো অংশৰ পৰা একেটা তৰংগ দৈৰ্ঘতে (wave length) ইয়াৰ অনুষ্ঠান শুনিবলৈ পোৱা যায়। মূল অনুষ্ঠানবোৰ কেন্দ্ৰীয়ভাৱে মুম্বাই কেন্দ্ৰৰ পৰা সম্প্ৰচাৰ কৰা হয়। অন্য AIR বিবিধ ভাৰতী ষ্টেশ্যনবোৰে সেই অনুষ্ঠানবোৰ ৰীলে কৰে। আঞ্চলিক ষ্টেশ্যনবোৰে (যেনে - গুৱাহাটী) নিজ নিজ ভাষাত কোনো এক পূৰ্বনিৰ্দিষ্ট সময়ত কেইটামান নিজস্ব অনুষ্ঠানো সম্প্ৰচাৰিত কৰে।

এই 40 টা বিবিধ ভাৰতী ষ্টেশ্যনক বাণিজ্যিক সম্প্ৰচাৰ সেৱা ষ্টেশ্যন (Station) বুলিও কোৱা হয়। এনে ষ্টেশ্যন দেশৰ প্ৰায় সকলোবোৰ প্ৰধান নগৰতে স্থাপন কৰা হৈছে। ই ভাৰতীয় জনসংখ্যাৰ 97 % লোকক সামৰি লৈছে। 1967 চনত বিবিধ ভাৰতীয়ে নিজকে এটা সম্পূৰ্ণ ব্যৱসায়িক সেৱা ৰূপে ঘোষণা কৰিছে। তেতিয়াৰে পৰা এই সেৱাৰ জৰিয়তে বিজ্ঞাপন প্ৰচাৰৰ সুবিধাও আগবঢ়োৱা হৈ আহিছে।

নতুন প্ৰযুক্তিৰ উদ্ভাৱনৰ লগে লগে অনুষ্ঠান প্ৰচাৰ পদ্ধতি আগৰ মিডিয়াম ৱেভ ট্ৰেন্সমিশ্যনৰ সলনি উচ্চ মানবিশিষ্ট ডিজিটেল ষ্টিৰিঅ' এফ এম পদ্ধতিলৈ সলনি হৈছে।

বিবিধ ভাৰতীৰ সেৱাৰ জৰিয়তে দিনটোৰ প্ৰায় 15 –17 ঘন্টা সময় মনোৰঞ্জনমূলক অনুষ্ঠান সম্প্ৰচাৰ কৰা হয়। এনে অনুষ্ঠানৰ ভিতৰত বোলছবিৰ গীত, স্কিট (Skit), চুটি নাটক আৰু আন্তঃক্ৰিয়াশীল অনুষ্ঠানসমূহ (interactive programme) থাকে। বিবিধ ভাৰতীৰ দুটামান জনপ্ৰিয় অনুষ্ঠান হ'ল — সংগীত সৰিতা, ভুলে বিছৰে গীত, হাৱা মহল, জয়মালা, ইনচে মিলিয়েঁ, ছায়া গীত, ইত্যাদি।

প্ৰথিতযশা অভিনেতা-অভিনেত্ৰী, গায়ক-গায়িকা, স্বনামধন্য লেখক-লেখিকা, গীতিকাৰ, নিৰ্দেশক আৰু সংগীত পৰিচালকসকলে বিবিধ ভাৰতী মঞ্চৰ জৰিয়তে নিজৰ বিভিন্ন ধৰণৰ অভিজ্ঞতা শ্ৰোতাৰ আগত সদৰি কৰে। 'উজালে উনকী য়াদোঁ কী' নামৰ এটা বিশেষ অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাক কোনো এগৰাকী পুৰণি শিল্পীৰ কথা সোঁৱৰাই দি স্মৃতি ৰোমন্থনৰ জগতলৈ যোৱাৰ প্ৰয়াস কৰা হয়।

AIR-ৰ ব্যৱসায়িক সম্প্ৰচাৰ সেৱা (CBS)

1927 চনত ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানীয়ে ইয়াৰ সেৱা আৰম্ভ কৰি ভাৰতত ব্যৱসায়িক ৰেডিঅ' সম্প্ৰচাৰ সেৱাৰ ইতিহাস গঢ়িছিল। কোম্পানীটোৱে প্ৰায় সাত বছৰমান 'স্পট' (spot) তথা পৃষ্ঠপোষকতা থকা অনুষ্ঠানক (sponsored programme) বিজ্ঞাপনৰ ৰূপত প্ৰচাৰ কৰি প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰিছিল।

কিন্তু অল ইণ্ডিয়া ৰেডিঅ' গঠন কৰাৰ লগে লগে বাণিজ্যিক শুল্ক সংগ্রহৰ প্রক্রিয়াটোত যতি পৰিছিল। কাৰণ AIR এ সম্প্রচাৰক, বিশেষকৈ উন্নয়নশীল দেশ এখনৰ সম্প্রচাৰ সেৱাক প্রধানত এটা সামাজিক সেৱা বুলি অভিহিত কৰিছিল। আৰম্ভণিতে বিবিধ ভাৰতীতো বিজ্ঞাপন প্রচাৰ কৰাৰ অনুমতি দিয়া হোৱা নাছিল।

1966 চনত গঠিত ৰেডিঅ' তথা টেলিভিছন বিষয়ক প্রস্তাৰিত বিবিধ ভাৰতী ছেনেলটোৰ বাবে বিজ্ঞাপন গ্রহণৰ পৰামর্শ আগবঢ়োৱাকৈ এই মত প্রচলিত আছিল। 1967 চনত বিবিধ ভাৰতীয়ে নিজকে ব্যৱায়িক সেৱা বুলি ঘোষণা কৰাৰ পাছতেই ইয়াৰ জৰিয়তে বিজ্ঞাপন প্রচাৰিত হ'বলৈ ধৰিলে।

আকাশ ভাৰতী (Akash Bharati)

1975 চনত দেশত অভ্যন্তৰীণ জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ পৰিপ্রেক্ষিতত সকলোবোৰ বিৰোধী দলেই ভাৰ প্রকাশৰ স্বাধীনতাক এটা প্রধান নির্বাচনী বিষয় হিচাপে গ্রহণ কৰিলে। এই বিষয়টো আলোচনাৰ কেন্দ্রবিন্দু হৈ থাকোতেই 1977 চনত দেশত লোক সভা নির্বাচন অনুষ্ঠিত হ'ল।

নতুন চৰকাৰে দায়িত্বভাৰ গ্রহণ কৰিয়েই AIR আৰু দূৰদর্শনক স্বায়ত্ব শাসন প্রদান কৰাৰ আধাৰস্বৰূপ পৰামর্শ দান কৰিবলৈ তথা সংশ্লিষ্ট সকলো দিশ পৰীক্ষা কৰি চাবলৈ এটা কার্যগোট গঠন কৰিলে। এই কার্যগোটটোৱে এটা স্বতন্ত্র ন্যাস (National Broadcast Trust, NBT) গঠনৰ পৰামর্শ দিলে। এই ন্যাসটোৰ নাম ৰখা হ'ল আকাশ ভাৰতী। AIR আৰু দূৰদর্শনে এই ন্যাসৰ অধীনত কাম কৰিব বুলি কোৱা হ'ল। পাছলৈ 'আকাশ ভাৰতী' নামটোৰ সামান্য সংশোধন ঘটাই 'প্রচাৰ ভাৰতী' কৰি লোৱা হ'ল। সংসদত বিধেয়কখন গৃহিত হোৱালৈ এক সুদীর্ঘ কাল অপেক্ষা কৰিবলগীয়া হ'ল। অৱশেষত 1990 চনত ই এখন আইনত পৰিণত হ'ল। ইয়াকে 'প্রচাৰ ভাৰতী আইন 1990' নামকৰণ কৰা হ'ল।

প্রসাৰ ভাৰতী (Prasar Bharati)Â

›প্রচাৰ ভাৰতী (ভাৰতীয় সম্প্রচাৰ নিগম) হ'ল ভাৰতত সর্ববৃহৎ ৰাজহুৱা সম্প্রচাৰ সেৱা। ই ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ৰ এক স্বতন্ত্র নিগম। দূৰদর্শন আৰু আকাশবাণীয়ে ইয়াৰ নিয়ন্ত্রণাধীন হৈ কাম-কাজ পৰিচালনা কৰি আছে।

1997চনৰ 23 নবেম্বৰত প্রচাৰ ভাৰতী গঠন কৰা হয়। অন্য বহুতো দেশৰ দৰে চৰকাৰৰ মালিকীস্বত্ব থকা বৈদ্যুতিক প্রচাৰ মাধ্যমকো স্বনিয়ন্ত্রণৰ অধিকাৰ দিব লাগে বুলি উত্থাপিত হোৱা দাবীৰ ফলস্বৰূপে প্রসাৰ ভাৰতীৰ জন্ম হয়। যদিও 1990 চনতেই ভাৰতীয় সংসদে প্রচাৰ ভাৰতীয় আইনখন গৃহিত কৰিছিল, তথাপিও 1997 চনৰ 15 ছেপ্তেম্বৰলৈ আইনখন বলবৎ কৰা হোৱা নাছিল।

এটা নিগম ৰূপে 'প্ৰচাৰ ভাৰতী'ক প্ৰচাৰ ভাৰতী বোৰ্ডে নিয়ন্ত্ৰণ কৰে। বোৰ্ডত এগৰাকী অধ্যক্ষ, প্ৰধান কাৰ্যবাহী বিষয়া (CEO), বোৰ্ডৰ সদস্যবৃন্দ তথা AIR আৰু দূৰদৰ্শনৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ জেষ্ঠ বিষয়াবৰ্গ থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 5। 'আকাশবাণী' শব্দটোৰ জনক কোন?

.....

প্ৰশ্ন নং 6। ভাৰতত সম্প্ৰচাৰ সেৱা কেতিয়া আৰম্ভ হৈছিল? AIR এ কেনেদৰে আত্মপ্ৰকাশ কৰিলে?

.....

.....

প্ৰশ্ন নং 7। ভাৰতত সম্প্ৰচাৰৰ পৰ্যায় তিনিটা কি কি?

.....

.....

.....

প্ৰশ্ন নং 8। বিবিধ ভাৰতী কি?

.....

.....

.....

প্ৰশ্ন নং 9। প্ৰচাৰ ভাৰতী কি?

.....

.....

.....



অনুশীলনী- ১.১

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৱেবছাইটোৰ লগতে অন্য প্ৰাসংগিক লিংকবোৰ (related links) খুলি চাওক। দেশত সম্প্ৰচাৰ সেৱাৰ বিকাশ সম্পৰ্কীয় শেষতীয়া তথ্যবোৰ জানি থওক। 'ইণ্ডিয়া 2010' নামৰ কিতাপখনো পঢ়িব পাৰে।

১.৭ এফ এম আৰু সমূহীয়া ৰেডিঅ'

যদিও বহু বছৰ ধৰি ৰেডিঅ'ই সবাতোকৈ জনপ্ৰিয় বৈদ্যুতিক প্ৰচাৰ মাধ্যমৰ আসনখন দখল কৰি আছিল, তথাপিও 1959 চনত টেলিভিছনৰ উদ্ভাৱন ঘটাৰ লগে লগে বিশেষকৈ ডাঙৰ ডাঙৰ নগৰ-চহৰত ৰেডিঅ'ৰ শ্ৰোতাৰ সংখ্যা লাহে লাহে হ্ৰাস হ'বলৈ ধৰিলে। অল ইণ্ডিয়া ৰেডিঅ'ই অতি মন্থৰ গতিত ষ্টিৰিঅ'ফোনিক ধ্বনি আদিৰ দৰে প্ৰযুক্তিগত বিকাশক আদৰি লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এ এম ৰেডিঅ'ত সংগীত সংকেত গ্ৰহণৰ মান যুৱ প্ৰজন্মক আকৰ্ষণ কৰিব পৰা নাছিল। এই ব্যৱধান আঁতৰ কৰিবলৈ তথা যুৱা প্ৰজন্মৰ প্ৰত্যাশা পূৰাবলৈ অল ইণ্ডিয়া ৰেডিঅ'ই এফ এম সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিলে।

এফ এম মানে হ'ল 'ফ্ৰিকুৱেন্সী মডুলেশ্যন' (Frequency Modulation)। ইয়াত ব্যৱহৃত প্ৰযুক্তিৰ ফলত অনুষ্ঠান অধিক পৰিষ্কাৰকৈ শুনিবলৈ পোৱা যায়।

যুৱ প্ৰজন্মক আকৰ্ষণ কৰিবলৈ এফ এম ৰেডিঅ'ৰ অনুষ্ঠান উপস্থাপন শৈলীও সলনি কৰা হৈছে। বৰ্তমান এফ এমৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰিলে ক'ব পৰা যায় যে অন্য নহ'লেও শ্ৰোতাৰ হিচাপত ৰেডিঅ'ৰ অতীত গৌৰৱ যেন পুনৰ উভতি আহিছে।

এফ এম ৰেডিঅ'ৰ সুবিধাসমূহ

- : উচ্চ মানবিশিষ্ট ধ্বনি
- : ষ্টেৰিঅ' সংকেত প্ৰেৰণ (Transmission)
- : সমাৰোপণ আৰু ধ্বনি প্ৰদূষণৰ পৰা যথেষ্ট মুক্ত
- : দিনে-ৰাতি একে ধৰণৰ সেৱা প্ৰদান
- : মূল্য সংযোজিত সেৱা আগবঢ়াব পৰা সামৰ্থ

আকাশবাণীৰ এফ এম সেৱা

অল ইণ্ডিয়া ৰেডিঅ'ৰ দুটা প্ৰধান এফ এম ছেনেল আছে —

i) এফ এম ৰেইনব' আৰু

ii) এফ এম গোল্ড।

বৰ্তমান এফ এম গোল্ড ছেনেলৰ সেৱা কেৱল মহানগৰ চাৰিখনৰ শ্ৰোতাইহে শুনিবলৈ পায়। এফ এম ৰেইনব' ছেনেলৰ অন্য পোন্ধৰখন চহৰতো ইয়াৰ সেৱা আগবঢ়াই আহিছে।

এই ছেনেল দুটাৰে প্ৰধানকৈ জনপ্ৰিয় ভাৰতীয় আৰু পাশ্চাত্য সংগীত প্ৰচাৰ কৰা হয়। উপস্থাপন শৈলী আকৰ্ষণীয় আৰু সমসাময়িক। এই বাবে ছেনেল দুটাই নগৰীয়া যুৱ সমাজৰ মাজত বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। এই ছেনেলৰ জৰিয়তে সংবাদ বুলেটিন আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানো প্ৰচাৰ কৰা হয়।

ব্যক্তিগত এফ এম সেৱা

ভাৰতীয় ব্যৱসায়িক ক্ষেত্ৰখনত বহুকেইটা ব্যক্তিগত এফ এম ছেনেলে আত্মপ্ৰকাশ কৰিছে। উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ ৰাজধানী চহৰকেইখনত ইতিমধ্যে 8টা এফ এম ষ্টেশ্যনক সেৱা আগবঢ়োৱাৰ অনুমতি প্ৰদান কৰা হৈছে। গুৱাহাটীত 4টা, শ্বিলঙত 2টা, আগৰতলাত 1টা আৰু অৰুণাচলত 1টা ছেনেলে অনুজ্ঞা লাভ কৰি অনুষ্ঠান সম্প্ৰচাৰ কৰি আছে।

ব্যক্তিগত এফ এম ছেনেলৰ অনুষ্ঠান উপস্থাপন প্ৰকৃতি তথা শৈলীৰ AIR ৰ দৰে প্ৰতিস্থিত আৰু পৰম্পৰাগত উপস্থাপন শেলীৰ সৈতে ভালেমান দিশত বৈসাদৃশ্য আছে। ব্যক্তিগত এফ এম ছেনেলবোৰৰ উমৈহতীয়া বৈশিষ্ট্য হ'ল সংগীতৰ যোগেদি শ্ৰোতাক সম্পূৰ্ণ মনোৰঞ্জন প্ৰদান কৰাৰ চেষ্টা আৰু ডিস্ক-জ'কী (DJ) শৈলীৰ উপস্থাপন।

সমূহীয়া ৰেডিঅ' (Community Radio)

সমূহীয়া ৰেডিঅ' হ'ল এনে এবিধ ৰেডিঅ' সেৱা যিটোৰ জৰিয়তে এটা সীমিত এলেকাৰ শ্ৰোতাৰ চাহিদা আৰু ৰুচি পূৰণৰ প্ৰয়াস কৰা হয়। ইয়াৰ জৰিয়তে কোনো এক নিৰ্দিষ্ট এলেকাৰ শ্ৰোতাৰ মাজত জনপ্ৰিয় বিষয়বস্তু প্ৰচাৰ কৰা হয়। বৃহৎ,ক্ষমতাশালী ৰেডিঅ' সেৱা সম্প্ৰচাৰকসকলক এই সেৱাৰ প্ৰতি সিমান মনোযোগ দিয়া দেখা নাযায়।

ভাৰতত বিংশ শতিকাৰ নৱৈৰ দশকৰ মাজভাগৰ পৰা সমূহীয়া ৰেডিঅ'ক বৈধতা প্ৰদান কৰাৰ অভিযান আৰম্ভ হৈছিল। সৰ্বোচ্চ ন্যায়ালয়ে 1995 চনৰ পৰা ৰায়দান এটা খাৰিজ কৰি "আকাশীতৰংগ ৰাজহুৱা সম্পত্তি" বুলি ৰায়দান কৰাৰ পাছতেই এই অভিযান তীব্ৰতৰ হৈ পৰিছিল। ৰায়টোৱে সমগ্ৰ দেশৰে সমূহীয়া ৰেডিঅ' সেৱা সমৰ্থক দলবোৰক অনুপ্ৰাণিত কৰিছিল। কিন্তু শৈক্ষিক (শিক্ষানুষ্ঠান পৰিসৰৰ ভিতৰৰ পৰা পৰিচালিত) ৰেডিঅ' ষ্টেশ্যনবোৰক অনুজ্ঞা প্ৰদান কৰিহে এই সেৱাৰ পাতনি মেলা হৈছিল। এনে ষ্টেশ্যনবোৰে যথেষ্ট কঠোৰ চৰ্ত মানি লৈ কাম কৰিছিল।

সমূহীয়া ৰেডিঅ' নীতিৰ অধীনত অনুষ্ঠান সম্প্ৰচাৰৰ অনুজ্ঞা লাভ কৰা ভাৰতৰ প্ৰথমটো শৈক্ষিক প্ৰতিষ্ঠান পৰিসৰৰ অন্ত ৰ্ভুক্ত (Campus Radio) ৰেডিঅ' ষ্টেশ্যন হ'ল আন্না এফ এম। 2004 চনৰ 1 ফ্ৰেব্ৰুৱাৰীৰ পৰা কাম আৰম্ভ কৰা এই ষ্টেশ্যনটো পৰিচালনা কৰে শিক্ষা আৰু মাল্টি মিডিয়া গৱেষণা কেন্দ্ৰই (EM^2RC)। ষ্টেশ্যনটোৰ সকলোবোৰ অনুষ্ঠান আন্না বিশ্ববিদ্যালয়ৰ মিডিয়া ষ্টাডিজ বিভাগৰ শিক্ষাৰ্থীসকলে যুগুত কৰে।

উত্তৰ-পূব ভাৰতত কেম্পাছ ৰেডিঅ'ৰ যোগেদি সৰ্বপ্ৰথম অনুষ্ঠান প্ৰচাৰ কৰা শৈক্ষিক প্ৰতিষ্ঠানটো হ'ল কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়। 2009 চনৰ জানুৱাৰী মাহত দুদিনৰ বাবে পৰীক্ষামূলকভাৱে এই অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু এছিয়াৰ বাবে থকা

কমনৱেলথ্ শৈক্ষিক মিডিয়া কেন্দ্ৰৰ সহযোগত আয়োজন কৰা ষষ্ঠ সমূহীয়া ৰেডিঅ' সজাগতাৰ বাবে আঞ্চলিক আলাপ-আলোচনাৰ সভাৰ সৈতে সংগতি ৰাখি এই প্ৰচাৰ কৰা হৈছিল।

প্ৰতিষ্ঠানখনে এটা 100 ৱাটৰ (ERP) ৰেডিঅ' ষ্টেশ্যনৰ পৰা কাম কৰাৰ অভিজ্ঞতা লাভ কৰিছে। কেন্দ্ৰৰ পৰা প্ৰায় 12 কিল'মিটাৰৰ পৰিধিৰ ভিতৰত প্ৰচাৰিত অনুষ্ঠান শুনিবলৈ পোৱা যায়। এণ্টেনাৰে অনুজ্ঞাপ্ৰাপ্ত সৰ্বাধিক দৈৰ্ঘ হ'ল 30 মিটাৰ। সমূহীয়া অনুষ্ঠানবোৰে অতি কমেও 50 % অনুষ্ঠান যিমানদূৰ সম্ভৱ স্থানীয় ভাষা আৰু উপভাষা তৈয়াৰ কৰাত অধিক গুৰুত্ব দিয়া হয়। কিন্তু মনোৰঞ্জনমূলক অনুষ্ঠান প্ৰচাৰ কৰাৰ ক্ষেত্ৰ তো তেনে কোনো নিষেধাজ্ঞা নাই। ভাৰতৰ সমূহীয়া আৰু ব্যৱসায় ভিত্তিক এফ এম ৰেডিঅ'ত সংবাদ অনুষ্ঠান পৰিৱেশন কৰাতো নিষেধ। কেৱল প্ৰতি ঘন্টাত পাঁছ মিনিটকৈ বিজ্ঞাপন প্ৰচাৰ কৰিব পাৰে। কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰে পৃষ্ঠপোষকতা কৰা অনুষ্ঠানৰ বাহিৰে এই ৰেডিঅ'ৰ যোগেদি আন কোনো পৃষ্ঠপোষকতা থকা (sponsored) অনুষ্ঠান প্ৰচাৰ কৰিব নোৱাৰি।

অল ইণ্ডিয়া ৰেডিঅ'ৰো কেইটামান সমূহীয়া ৰেডিঅ' কেন্দ্ৰ আছে। কিছু দিনৰ পূৰ্বে জনজাতি বাসিন্দাসকলৰ সুবিধাৰ্থে উত্তৰ-পূৰ্বাঞ্চলৰ পাঁচখন ঠাইত (নাগালেণ্ড, মিজোৰাম, মেঘালয়) পৰীক্ষামূলকভাৱে এই কেন্দ্ৰকেইটা স্থাপন কৰা হৈছে।

কেইটামান সম্প্ৰদায়েও এফ এম ষ্টেশ্যন ব্যৱহাৰ কৰি উন্নয়নমূলক বিষয়ৰ সৈতে জড়িত অনুষ্ঠান প্ৰচাৰৰ অনুজ্ঞা লাভ কৰিছে। অনুজ্ঞাপ্ৰাপ্ত ষ্টেশ্যান কেইটামান হ'ল — অন্ধ্ৰপ্ৰদেশৰ মেডাকৰ সংযম ৰেডিঅ', মধ্যপ্ৰদেশৰ অৰ্ছাৰ ৰেডিঅ' বুণ্ডেলখণ্ড, কৰ্ণাটকৰ কোলাৰ জিলাৰ নাম্মাধ্বনি আৰু তামিলনাড়ুৰ মাদুৰাইৰ কাষৰ ৰানোলিৰ পীপলছ্ এক্শন ফৰ ৰুৰেল ডেভেলপমেণ্ট (PARD)। সমূহীয়া ৰেডিঅ' কেন্দ্ৰ স্থাপনৰ বাবে অনুজ্ঞা বিচৰা সম্প্ৰদায়ৰ সংখ্যা লাহে লাহে বাঢ়িব ধৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 10। এফ এম ৰেডিঅ'ৰ সুবিধাবোৰ কি কি?

.....

.....

.....

প্ৰশ্ন নং 11। সমূহীয়া ৰেডিঅ' মানে কি?

.....

.....

.....

১.৮ üৰেডিঅ' অনুষ্ঠানৰ বিষয়বস্তু

ৰেডিঅ' অনুষ্ঠানৰ বিষয়বস্তু মানে হ'ল ৰেডিঅ' অনুষ্ঠান প্ৰস্তুতকৰণ আৰু এই কামত জড়িত থকা অন্য দিশবোৰ। তলত সামগ্ৰিকভাৱে ৰেডিঅ'ৰ প্ৰধান বিষয়বস্তুবোৰৰ চমু আলোচনা দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। ৰেডিঅ'ৰ অনুষ্ঠান সংৰচনাৰ তিনিটা প্ৰধান বিষয় হ'ল সংবাদ, সংগীত আৰু কথিত শব্দৰে যুগুত কৰা সমল।

১.৮.১ অনুষ্ঠানৰ প্ৰকাৰসমূহ

ৰেডিঅ' অনুষ্ঠানসমূহক সাধাৰণতে দুটা উমৈহতীয়া শাখাত বিভক্ত কৰি লোৱা হয় – 1. কথিত শব্দ আৰু 2. সংগীত

কথিত শব্দৰ অনুষ্ঠানঃ ইয়াৰ অধীনত সংগীতৰ বাহিৰে বাকী সকলোবোৰ অনুষ্ঠান, যেনে, - কথিকা, আলোচনা, শৈক্ষিক সম্প্ৰচাৰ, বিশেষ শ্ৰোতাবৰ্গৰ বাবে অনুষ্ঠান (মহিলা, শিশু, গঞা শ্ৰোতা), নাটক, আলেখ্য, সংবাদ মেগাজিন, ধাৰাভাষ্য, সংবাদ তথা ধৰ্মীয় অনুষ্ঠান আদিক সামৰি লোৱা হয়।

সংগীতঃ এই শিতানত বিভিন্ন ধৰণৰ সংগীত যেনে, - ধ্ৰুপদী, লোকগীত, লঘু সংগীত, ভক্তিমূলক গীত, পাশ্চাত্য সংগীত আদিক সামৰি লোৱা হয়।

অনুষ্ঠান বিন্যাস (The programme structure)

ৰেডিঅ' অনুষ্ঠানবোৰ বিশৃংখলভাৱে সম্প্ৰচাৰ কৰা নহয়। ইয়াৰ বাবে একোখন অনুষ্ঠানৰ কৰ্ম পৰিকল্পনা (programme plan) যুগুত কৰা হয়। সাধাৰণতে তিনি মাহৰ বাবে কৰ্ম পৰিকল্পনা একোখন সাজু কৰি লোৱা হয়। মূল কৰ্ম পৰিকল্পনাখনক দৈনিকঅনুষ্ঠানসূচীত বিভক্ত কৰা হয়। এইদৰে এখন দৈনিক অনুষ্ঠানসূচীৰ জৰিয়তে অনুষ্ঠানবোৰৰ মাজত সমতা স্থাপন কৰা হয়। বিভিন্ন শিতানৰ অনুষ্ঠানৰ বাবে নিৰ্দিষ্ট সময় ধাৰ্য কৰা হয় তথা কোন সময়ত কি অনুষ্ঠান প্ৰচাৰ কৰা হ'ব সেয়া ঠিৰাং কৰি লোৱা হয়। এই সমগ্ৰ কাম-কাজক অনুষ্ঠান বিন্যাস বুলি কোৱা হয়।

একোটা ৰেডিঅ' ষ্টেশ্যনৰ বৈশিষ্ট্য অথবা ভাৱমূৰ্তি গঠনত এনে অনুষ্ঠান বিন্যাস একোখন যুগুত কৰাৰ পদ্ধতিটোৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এটা ৰেডিঅ' ষ্টেশ্যনৰ অনুষ্ঠান বিন্যাস একোখন সাজু কৰাৰ সময়ত গুৰুত্ব প্ৰদান কৰিবলগীয়া দিশ কেইটামান হ'ল — সংগীত প্ৰচাৰৰ বাবে ধাৰ্য ক ৰা সময়, কেনে ধৰণৰ সংগীত প্ৰচাৰ কৰা হ'ব, সংবাদ আৰু শৈক্ষিক অনুষ্ঠান প্ৰচাৰত কিমান গুৰুত্ব দিয়া হৈছে, ইত্যাদি।

মনোৰঞ্জনৰ আহিলা ৰূপে সম্প্রচাৰ (Broadcasting as enter trainment)

সম্প্রচাৰে মনোৰঞ্জনৰ আহিলা ৰূপেও সেৱা আগবঢ়ায়। মনোৰঞ্জন মানে কেৱল অৱসৰ বিনোদনেই নহয়। ইয়াত আনন্দ, আগ্রহ জাগৃত কৰা তথা প্রতিক্রিয়া প্রকাশ কৰা আদিকো সামৰি লোৱা হয়। যদিও সম্প্রচাৰৰ পৰম্পৰাগত উদ্দেশ্য হ'ল তথ্য, শিক্ষা আৰু মনোৰঞ্জনৰ প্রসাৰ ঘটোৱা, তথাপিও মনোৰঞ্জন নামৰ উপাদানবিধক ৰেডিঅ' অনুষ্ঠান প্রস্তুতকৰণৰ মাধ্যম আৰু লক্ষ্য কৰি লোৱা উচিত। কাৰণ, মনোৰঞ্জনৰ প্রকৃতিয়েই হ'ল সংযোগ স্থাপনকাৰী। সম্প্রচাৰে যদি কোনো সংযোগ স্থাপন কৰিব নোৱাৰে, তেন্তে নির্দ্ধাৰিত উদ্দেশ্য পূৰণ কৰাত ই ব্যর্থ হ'ব। তথাপিও মনোৰঞ্জন মানে কেনে হ'ব তালৈ সুক্ষ্ম দৃষ্টি ৰখা উচিত। ই একে সময়তে বিভিন্ন শ্রেণীৰ শ্রোতাৰ ভিন্ ভিন্ ৰুচি পূৰোৱাৰ লগতে শ্রোতাৰ মনৰ কথা শুনা আৰু চোৱাৰ অভিজ্ঞতা সমৃদ্ধ কৰাৰ প্রতিও সমানে মনোযোগ দিব লাগে।

সংগীতে আকাশবাণী কেন্দ্রসমূহৰ মুঠ অনুষ্ঠানৰ প্রায় 50 শতাংশ সময় দখল কৰি আহিছে।

অল ইণ্ডিয়া ৰেডিঅ'ৰ অনুষ্ঠান সংৰচনা (programme Composition of AIR)

AIR -ৰ অনুষ্ঠান সংৰচনাত গম্ভীৰ ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় সমস্যাবোৰ সন্দর্ভত সকলো প্রকাৰৰ মতামত প্রকাশ কৰিব পৰা মঞ্চ এখন তৈয়াৰ কৰিবলৈ নিয়মীয়াকৈ কথিকা, আলোচনা, সাক্ষাৎকাৰ আদিৰ দৰে অনুষ্ঠানক স্থান দি অহা হৈছে।

ৰেডিঅ' নাটক হ'ল AIR -ৰ অনুষ্ঠান সংৰচনাৰ আন এক এৰাব নোৱাৰা উপাদান। সাধাৰণ আৰু বিশেষ শ্রোতাবৃন্দৰ বাবে যুগুত কৰা উভয় অনুষ্ঠান সূচীতেই নাটকক স্থান দিয়া হয়। ৰেডিঅ' সংগীতালেখ্য (feature) আৰু আলেখ্য (document) হ'ল অন্য দুটা জৰুৰী উপাদান। এনে অনুষ্ঠান এটাত শ্রব্য শৈলীৰ প্রচাৰৰ সময়ত ব্যৱহাৰ কৰা সকলোবোৰ দিশ অন্তর্ভুক্ত হৈ থাকে। অর্থাৎ এনে অনুষ্ঠান এটাত বিৱৰণী, সংগীত, নাটক, সাক্ষাৎকাৰ, কবিতা, ছাউণ্ড এফেক্ট আদি সকলোবোৰ দিশ সামৰি লোৱা হয়।

আকাশবাণীয়ে প্রায় সকলোবোৰ কেন্দ্রৰ পৰাই মহিলাৰ বাবে বিশেষ অনুষ্ঠান প্রচাৰ কৰে। গৃহিণী আৰু চাকৰিয়াল উভয় ক্ষেত্রৰ মহিলাৰ বাবে অনুষ্ঠান প্রচাৰ কৰা হয়। এই অনুষ্ঠানবোৰৰ জৰিয়তে তথ্যভিত্তিক আৰু মনোৰঞ্জন প্রদানৰো প্রয়াস কৰা হয়। প্রচাৰিত আন কিছুমান অনুষ্ঠানৰ বিষয়বস্তু হ'ল স্বাস্থ্য, পৰিয়াল কল্যাণ, ঘৰুৱা দিহা, পুষ্টি তথা চাকৰিয়াল মহিলাৰ বিভিন্ন সমস্যা আদি।

14 বছৰ বয়সলৈকে শিশু তথা ছেমনীয়াৰ বাবেও আকাশবাণীৰ জৰিয়তে অনুষ্ঠান প্রচাৰ কৰা হয়। AIR -ৰ শৈক্ষিক অনুষ্ঠানসমূহে প্রাথমিক, মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পর্যায়ৰ ছাত্র-ছাত্রীক উদ্দেশ্যি যুগুত কৰা হয়। শিক্ষকবৃন্দৰ বাবেও বিভিন্ন জ্ঞান সমৃদ্ধকাৰী (Enrichment Programmes) অনুষ্ঠান প্রচাৰ কৰা হয়।

ক্রীয়া বিষয়ক অনুষ্ঠানসমূহ শ্রোতাৰ মাজত অতি জনপ্রিয়। এনে অনুষ্ঠানবোৰ হ'ল

আকাশবাণীৰ অনুষ্ঠান বিন্যাসৰ এটা অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। আন্তঃৰাষ্ট্ৰীয়, আঞ্চলিক তথা স্থানীয় পৰ্যায়ৰ সকলোবোৰ গুৰুত্বপূৰ্ণ ক্ৰীড়াৰে উপযুক্ত বিৱৰণী প্ৰচাৰ কৰা হয়। ইয়াৰ বাবে ধাৰা বিৱৰণী আৰু ৰেডিঅ' প্ৰতিবেদন আদি পন্থাৰ সহায় লোৱা হয়। দৈনিক দুখন পাঁচ মিনিট দৈৰ্ঘৰ ক্ৰীয়া সংবাদ বুলেটিনৰ উপৰিও আকাশবাণীয়ে দুটা আধা ঘণ্টা দৈৰ্ঘৰ ক্ৰীড়া মেগাজিন অনুষ্ঠান প্ৰচাৰ কৰে।

14 – 30 বছৰীয়া শ্ৰোতাৰ চাহিদা আৰু ৰুচি যুৱবাণী অনুষ্ঠানবোৰে পূৰণ কৰে। এই অনুষ্ঠানবোৰ কথিকা, আলোচনা, সাক্ষাৎকাৰ, নাটক, ফিছাৰ (feature), সংগীত আদি বিভিন্ন ৰূপত পৰিৱেশন কৰা হয়। এই অনুষ্ঠানবোৰ যুৱক-যুৱতীয়ে নিজে সমবয়সৰ অন্য সকলৰ বাবে প্ৰস্তুত কৰে।

বহুকেইটা AIR কেন্দ্ৰই প্ৰতি সপ্তাহত এবাৰকৈ 30 মিনিট সময় বয়োজ্যেষ্ঠ শ্ৰোতাসকলৰ বাবে অনুষ্ঠান প্ৰচাৰ কৰে। এনেদৰে ঔদ্যোগিক কৰ্মীসকলৰ বাবে আঞ্চলিক ভাষাত প্ৰায় 30 মিনিট সময়ৰ বাবে অনুষ্ঠান প্ৰচাৰ কৰা হয়।

সম্প্ৰচাৰ জগতৰ শেষতীয়া উদ্ভাৱন হ'ল ফোন-ইন অনুষ্ঠান, ৰেডিঅ' ব্ৰীজ আৰু ভইছ মেইলৰ দৰে আন্তঃক্ৰিয়াশীল অনুষ্ঠানসমূহ। 'ফোন-ইন' অনুষ্ঠানবোৰত শ্ৰোতাই এটা নিৰ্দিষ্ট টেলিফোন নম্বৰ ব্যৱহাৰ কৰি অনুষ্ঠান চলি থকা সময়ত সম্প্ৰচাৰ কেন্দ্ৰবোৰলৈ ফোন কৰি প্ৰশ্ন সুধিব পাৰে। কেন্দ্ৰত ষ্টুডিঅ'ৰ মজিয়াত উপস্থিত থকা বিশেষজ্ঞসকলে লগে লগে তেনে প্ৰশ্নৰ উত্তৰ দিয়ে। গোটেই কথোপকথন প্ৰক্ৰিয়াটো স্বতঃস্ফূৰ্তভাৱে সম্পন্ন হয়।

'ভইছ মেইল' অনুষ্ঠানবোৰত শ্ৰোতাই নিৰ্দিষ্ট টেলিফোন নম্বৰটো ব্যৱহাৰ কৰি নিজৰ অনুৰোধ, অভিযোগ, পৰামৰ্শ আৰু প্ৰশংসা আদি প্ৰণালীবদ্ধ কৰিব পাৰে। এই বাৰ্তাবোৰ পাছত পুনৰীক্ষণ কৰিবলৈ বিশেষ ভইছ মেইল অনুষ্ঠানত বজাই শুনোৱা আৰু সঠিক প্ৰত্যুত্তৰ দিয়া হয়।

'ৰেডিঅ ব্ৰীজ হ'ল উপলক্ষত প্ৰচাৰিত হোৱা বিশেষ অনুষ্ঠান। কোনো ঘটনা এটা ঘটি থকা কালতেই কৃত্ৰিম উপগ্ৰহৰ সহায়ত AIR কেন্দ্ৰসমূহ 'আপলিংক' কৰাই লৈ এনে অনুষ্ঠান 'লাইভ' (Live) সম্প্ৰচাৰ কৰা হয়। এনে অনুষ্ঠানত ভাগ লোৱা সকলৰ তথা দেশৰ বিভিন্ন প্ৰান্তৰ ভিন্ ভিন্ শ্ৰোতাৰ পোনপটীয়া ক্ৰিয়া-প্ৰতিক্ৰিয়া শুনিবলৈ পোৱা যায়। বৰ্তমান 20 টা AIR কেন্দ্ৰক এনেদৰে 'আপলিংক' কৰাই ল'ব পৰাৰ সুবিধা আছে।

কৃত্ৰিম উপগ্ৰহ সংযোগ স্থাপনকাৰী সুবিধা গ্ৰহণ কৰি AIR-এ ইয়াৰ 20 টা ৰেডিঅ' ছেনেলৰ কেৱল বিতৰণৰ ব্যৱস্থা কৰিছে। 1990 চনৰ 1 এপ্ৰিলৰ পৰা এই পদ্ধতিটো সক্ৰিয় কৰি তোলা হৈছে। ইয়াৰ বাবে বৰ্তমান গ্ৰাহক শ্ৰোতাই নিজৰ ঘৰুৱা FM গ্ৰাহক যন্ত্ৰত স্কাই ৰেডিঅ' ছেনেলৰ অনুষ্ঠান উপভোগ কৰাৰ সুবিধা পাইছে।

১.৮.২ বিভিন্ন ৰেডিঅ' অনুষ্ঠান

বাতৰিৰ অনুষ্ঠান (News Programme)

বাতৰি ঃ যিকোনো নতুন তথ্য অথবা সাম্প্রতিক ঘটনাৱলীৰ তথ্যই হ'ল বাতৰি। শেষতীয়াকৈ ঘটা আৰু শ্রোতাই নুশুনা ঘটনাবোৰকে বাতৰি বোলা হয়।

বাতৰিক দুটা ভাগত ভগোৱা হয় —

হার্ড নিউজ (Hard News) ঃ শেষতীয়াকৈ ঘটা গুৰুত্বপূর্ণ ঘটনাৱলীৰ প্রতিবেদন।

ছফট্ নিউজ (Soft News)ঃ 'হার্ড নিউজ'ৰ দৰে গুৰুত্বপূর্ণ প্রকৃতিৰ নহয়, কিন্তু অধিক তথ্যজ্ঞাপক প্রকৃতিৰ ঘটনা।

আকাশবাণীৰ বাতৰি (News at AIR)

আকাশবাণীৰ বাতৰি সেৱা বিভাগে (NSD) ভাৰত আৰু বিদেশত থকা শ্রোতাৰ বাবে বাতৰি তথা সংবাদ মন্তব্য প্রচাৰ কৰে। দেশৰ বিভিন্ন ঠাইত ঘটি থকা শেষতীয়া ঘটনাৱলী সন্দর্ভত শ্রোতাক জনোৱা আৰু অহৰহ শেষতীয়া তথ্যৰ যোগান ধৰা কামত ৰেডিঅ' বাতৰিয়ে সদায়ে অগ্রণী ভূমিকা পালন কৰি আহিছে। আকাশবাণীয়ে বর্তমান ইয়াৰ গৃহ, আঞ্চলিক আৰু বৈদেশিক সেৱাৰ যোগেদি দৈনিক প্রায় 52 ঘন্টা 82 টা ভাষা-উপভাষাত 510 খনতকৈও অধিক সংবাদ বুলেটিন প্রচাৰ কৰে।

মুঠ বুলেটিনৰ ভিতৰত 89 খন হ'ল দিল্লী কেন্দ্রৰ গৃহ সেৱাৰ জৰিয়তে ইংৰাজী, হিন্দী আৰু অন্য ভাৰতীয় ভাষাত প্রচাৰিত দৈনিক সংবাদ বুলেটিন। 44 টা আঞ্চলিক সংবাদ গোটে (RNUs) 67 টা ভাষাত 355 খন দৈনিক সংবাদ বুলেটিন প্রচাৰ কৰে। এই বুলেটিন কেইখনৰ ভিতৰত দেশৰ 22 টা আকাশবাণী কেন্দ্রৰ পৰা বিশেষভাৱে 'এফ এম গোল্ড' ছেনেলৰ দ্বাৰা প্রচাৰিত সংবাদ বুলেটিনকেইখনো আছে।

দৈনিক সংবাদ বুলেটিনবোৰৰ উপৰি সংবাদ সেৱা বিভাগে প্রতি দিনে দিল্লী আৰু আন দুটামান আঞ্চলিক সংবাদ গোটৰ দ্বাৰা বিভিন্ন বিষয়ৰ কেইবাটাও বিশেষ সংবাদ ভিত্তিক অনুষ্ঠান প্রচাৰ কৰে।

1948 চনৰ 1 এপ্রিলৰ দিনা আকাশবাণী দিল্লী কেন্দ্রৰ পৰা প্রথমখন অসমীয়া সংবাদ বুলেটিন প্রচাৰ কৰা হৈছিল। গুৱাহাটীত আকাশবাণীয়ে আঞ্চলিক সংবাদ গোট গঠন কৰাৰ পাছত 1957 চনৰ 15 মে'ত কেন্দ্রটোৰ পৰা প্রথমবাৰৰ বাবে অসমীয়া বাতৰি প্রচাৰ কৰা হৈছিল। বর্তমান গুৱাহাটী কেন্দ্রৰ পৰা দৈনিক তিনিখন অসমীয়া বুলেটিন প্রচাৰ কৰা হয়। ইয়াৰ উপৰি বড়ো, কার্বি আৰু নেপালী ভাষাতো বুলেটিন প্রচাৰিত হৈ আহিছে।

নিউজ ৰীল (News reel) ঃ নিউজ ৰীল হ'ল সংবাদ বিস্তৃতভাৱে উপস্থাপন কৰা এটা শৈলী। ইয়াৰ জৰিয়তে বিভিন্ন উপকৰণৰ সহায়ত 'হার্ড নিউজ' সম্প্রচাৰ কৰা হয়। অর্থাৎ এনে অনুষ্ঠান প্রত্যক্ষদর্শীৰ ভাষ্য, বাতৰিত উল্লেখ কৰা কোনো বিশিষ্ট ব্যক্তিৰ ভাষণৰ অংশ, সংবাদৰ উৎসৰ সৈতে সম্পর্ক থকা ছাউণ্ড এফেক্ট, কথিকা, ধাৰাভাষ্য আদি সংযোজিত কৰা হয়। 15 মিনিট অথবা তাতকৈ কিছু অধিক সময়ৰ বাবে প্রচাৰিত হোৱা 'নিউজ ৰীল' বোৰ হ'ল সংবাদ সম্প্রচাৰৰ এটা জনপ্রিয় ৰূপ।

সাধাৰণ অনুষ্ঠান 'ফৰমেট'

অন্য প্রচাৰ মাধ্যমৰ দৰে শ্রোতাক আকর্ষণ কৰিবলৈ ৰেডিঅ'ইও বহুতো মনোগ্রাহী 'ফৰমেট' সৃষ্টি কৰি লৈছে। এনে ফৰমেটবোৰ সৃজনাত্মক সম্প্রচাৰকসকলে আৰু অধিক আকর্ষণীয় কৰি তুলিছে। এনে ফৰমেটত তৈয়াৰী অনুষ্ঠানে শ্রোতাক অধিক আনন্দ দিবলৈ সক্ষম হৈছে।

ঘোষণা / তথ্য

এইবোৰ হ'ল এগৰাকী শ্রোতাক অথবা শ্রোতাৰ গোট এটাক জনোৱা পোনপটীয়া তথ্য। এনে তথ্যৰ ভিতৰত আছে ৰেলৰ সময়সূচী, বতৰৰ বতৰা, যান-জঁটৰ খবৰ আদি।

বার্তা

বিশেষ উপলক্ষত ৰাষ্ট্রপতি অথবা প্রধানমন্ত্রীৰ দৰে অতি গুৰুত্বপূর্ণ ব্যক্তিয়ে ৰেডিঅ'ৰ জৰিয়তে শ্রোতাক সম্বোধি দিয়া ভাষণ।

ৰেডিঅ' প্রতিবেদন

বিস্তৃত তথ্য সহকাৰে উপস্থাপন কৰিবলগীয়া কোনো গুৰুত্বপূর্ণ ঘটনাক এনে ফৰমেটৰ সহায়ত প্রস্তুত কৰা হয়।

প্রত্যক্ষদর্শীৰ ভাষ্য

ঘটনাস্থলীত উপস্থিত থকা কোনো ব্যক্তিয়ে প্রথম পুৰুষত আগবঢ়োৱা তথ্য।

ৰেজিউম (Resume)

কোনো ঘটনা অথবা বাতৰিৰ চমু বিৱৰণী এই ফৰমেটত তৈয়াৰ কৰা হয়। উদাহৰণ — বিধান সভা অধিবেশনৰ সংবাদ প্রেৰণ।

পোনপটীয়া বিৱৰণী (Running Commentary)

ক্ৰীয়া অথবা আন কোনো ঘটনাৰ এনে ফৰমেটৰ সহায়ত পোনপটীয়া প্ৰচাৰ কৰা হয়।

ভ্ৰমণ সংবাদ (Travelogue)

কোনো ভ্ৰমণৰ প্ৰথম পুৰুষত উপস্থাপন কৰা তথ্য।

জিংগল্ (Jingles)

কম সময়ৰ এই ফৰমেটবিধ বজাৰ চাহিদাৰ ওপৰত নিৰ্ভৰশীল। শ্ৰোতাক কোনো সামগ্ৰী অথবা সেৱাৰ বিষয়ে জনাবলৈ জিংগলৰ সহায় লোৱা হয়। ই ৰাজহুৱা সেৱা অথবা বাণিজ্যিক বিজ্ঞাপন হ'ব পাৰে।

আলেখ্য আৰু সংগীতালেখ্য (Documentary and Features)

আলেখ্য হ'ল এটা সৃজনাত্মক কৰ্ম। ই গল্প নাইবা উপন্যাস লেখন নহয়। আলেখ্য আৰু সংগীতালেখ্যত সাধাৰণতে কোনো উন্নয়নমূলক বিষয়, ঐতিহাসিক প্ৰতিস্থাপন, পৰম্পৰা, লোকাচাৰ আৰু সংৰক্ষণযোগ্য ঘটনাপ্ৰবাহ উপস্থাপন কৰা হয়। আলেখ্য প্ৰকৃত তথ্যৰ ওপৰত নিৰ্ভৰশীল। সংগীতালেক্ষ্য কাল্পনিক। ই লেখকৰ আবেগিক সৃজনশীল আৰু নাটকীয় উপাদানেৰে ৰচিত। এই ফৰমেটত ৰেডিঅ'ত প্ৰায় সকলোবোৰ উপাদান, যেনে — কবিতা, সংগীত, কণ্ঠ, ধ্বনি আদি প্ৰয়োগ কৰি অনুষ্ঠান প্ৰস্তুত তথা পৰিবেশন কৰা হয়। শ্ৰোতাক একেধাৰে তথ্য জনাবলৈ, গতিশীল হোৱাত সহায় কৰিবলৈ, মনোৰঞ্জন প্ৰদান কৰিবলৈ অথবা অনুপ্ৰাণিত কৰিবলৈ এই আটাইবোৰ উপাদান মিহলি কৰা হয়।

আলেখ্য আৰু সংগীতালেখ্যৰ সংমিশ্ৰণ ঘটাই আন এবিধ 'ফৰমেট'ৰ সৃষ্টি কৰা হয়। সেইবোৰক *'ডকু-ফিছাৰ'* (Docu-feature) বোলা হয়।

এনে কিছুমান ৰেডিঅ' অনুষ্ঠানো আছে যিবোৰৰ দৈৰ্ঘ 30 মিনিট আৰু যিবোৰক উল্লিখিত কোনোটো শিতানতে অন্তৰ্ভুক্ত কৰিব পৰা নাযায়। এনে অনুষ্ঠানবোৰ কথিকা, সাক্ষাৎকাৰ, ঘটনাৱলীৰ পৰা প্ৰেৰণ কৰা প্ৰতিবেদন, প্ৰত্যক্ষদৰ্শীৰ ভাষ্য, ধাৰা বিৱৰণী, সংগীত আদি সকলো উপাদানেৰে প্ৰস্তুত কৰা হয়। এই অনুষ্ঠানবোৰক *'মেগাজিন'* (Magazine) বোলা হয়। এনে অনুষ্ঠান মহিলা, কৃষক আদিৰ দৰে বিশেষ শ্ৰোতাবৰ্গৰ বাবেহে সাধাৰণতে যুগুত কৰা হয়।

ৰেডিঅ' নাটক হ'ল ৰেডিঅ'ৰ মাধ্যমেৰে প্ৰচাৰ কৰা শ্ৰব্য কাহিনীখন সম্প্ৰচাৰৰ এটা ৰূপ। কোনো দৃশ্যমান উপাদান নোহোৱা ৰেডিঅ' নাটকবোৰ সংলাপ, সংগীত আৰু ছাউণ্ড এফেক্টৰ ওপৰত নিৰ্ভৰশীল। এই উপাদানকেইটাই শ্ৰোতাক কাহিনী এটা কল্পনা কৰি লোৱাত সহায় কৰে।

সাক্ষাৎকাৰ ঃ সাক্ষাৎকাৰ হ'ল এটা আনুষ্ঠানিকûþঅনানুষ্ঠানিক বার্তালাপ। সাক্ষাৎ গ্রহণ কৰোতাই সাক্ষাৎ দিওঁতাৰ পৰা কিছুমান তথ্যûþমন্তব্যûþপ্রতিক্রিয়া সংগ্রহ কৰাৰ চেষ্টা কৰে। বহলভিত্তিত ৰেডিঅ' সাক্ষাৎকাৰক দুটা ভাগত ভগোৱা হয়।

১) ব্যক্তিত্ব সাক্ষাৎকাৰ ঃ সাক্ষাৎ দিওঁতাৰ ব্যক্তিত্ব বাহিৰলৈ উলিয়াই অনাৰ প্রয়াস কৰা হয়। ব্যক্তিবিশেষৰ জীৱন আৰু জীৱনাদর্শ জনাত শ্রোতাক সহায় কৰে।

২) তথ্য সংগ্রহকাৰী সাক্ষাৎকাৰ ঃ তথ্য অথবা কাৰণৰ অন্বেষণ কৰে।

সাক্ষাৎকাৰৰ প্রকাৰ — : আনুষ্ঠানিক
: অনানুষ্ঠানিক
: অর্ধ-আনুষ্ঠানিক

সাক্ষাৎকাৰৰ প্রকৃতি — : মুখামুখি অভিযোগমূলক (confrontational)
: বাহুল্যবর্জিত (soft)
: বন্ধুত্বপূর্ণ (friendly)
: মনোৰঞ্জনকাৰী (entertaining)

এটা সার্থক সাক্ষাৎকাৰৰ মূলমন্ত্র হ'ল সঠিক ধৰণে উপযুক্ত প্রশ্ন সোধাৰ দক্ষতা। ইয়াৰ বাবে যথেষ্ট গৱেষণা আৰু পৰিকল্পনাৰ প্রয়োজন। সাক্ষাৎকাৰৰ উদ্দেশ্য সার্থক হোৱাকৈ প্রশ্নসমূহ সাজি উলিয়াব লাগে।

কথিকা (Talks)

কথিকা হ'ল কথিত শব্দ সম্প্রচাৰৰ এটা সবাতেকৈ পুৰণি ৰূপ। ৰেডিঅ' কথিকাবোৰ পাঠদান অথবা ৰাজহুৱা ভাষণ নহয়। ই এটা পোনপটীয়া ৰচনা শৈলী। কোনো এটা বিষয়ক কেন্দ্র কৰি সৰল, সংক্ষিপ্ত আৰু বন্ধুসুলভ দৃষ্টিভঙ্গীৰে কথিকা এটা লিখি উলিওৱা হয়। ইয়াৰ একোটা স্পষ্ট আৰম্ভণি, কেন্দ্রভাগ আৰু সামৰণি থাকে। ই এক শ্রুতিমধুৰ ৰূপত বিষয় এটা উপস্থাপন কৰে, সৰলকৈ ব্যাখ্যা কৰে, ইয়াৰ যুক্তি প্রতিপন্ন কৰে আৰু বিষয়টোৰ মোখনি মাৰে। ৰেডিঅ' কথিকাত জটিল পৰিসংখ্যা ব্যৱহাৰ কৰা নহয়। শ্রোতাই সহজে বুজিব পৰাকৈ হিচাপবোৰ গোটা সংখ্যাত প্রকাশ কৰা হয়।

আলোচনা (Discussion)

যেতিয়া দুজন অথবা ততোধিক ব্যক্তিৰ মাজত কোনো এটা বিষয় সন্দর্ভত ভিন্ন মতৰ সৃষ্টি হয়, তেতিয়াই আলোচনামূলক অনুষ্ঠান তৈয়াৰ কৰা হয়। ইয়াত আলোচনাৰ আঁত ধৰোতা গৰাকীৰ (moderator) দায়িত্ব সকলোতকৈ অধিক। তেওঁ সময়ৰ সীমাবদ্ধতাৰ কথাটো মনত ৰাখি অপ্রাসংগিক কথাৰ উত্থাপনত বাধা দি আলোচনাটো সুষম গতিৰে আগবঢ়াই নিব লাগে।

ফীডবেকûþভক্স পপûþ ফোন-ইন

ফৰমেটৰ অনুষ্ঠানবোৰত শ্ৰোতাইও ভাগ ল'ব পাৰে। প্ৰত্যুত্তৰ অথবা শ্ৰোতাৰ চিঠি-পত্ৰ আদি 'ফীডবেক' শিতানৰ অন্তৰ্ভুক্ত। উদ্বোধনী সভা, ফ্লেগ অফ্ কাৰ্যসূচী আদিৰে উন্নয়নমূলক কাম-কাজবোৰ সাধাৰণ ৰাইজৰ মাজত ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণে প্ৰভাৱ পেলাব পাৰে। তেনেস্থলত শ্ৰোতাৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া থিতাতে বাণীবদ্ধ কৰি প্ৰচাৰ কৰা হয়। বেছিভাগ সময়তে তেনে প্ৰতিক্ৰিয়া পোনপটীয়াকৈ প্ৰচাৰ কৰা হয়।

'ফোন ইন' হ'ল আন এটা আকৰ্ষণীয় ফৰমেট। কোনো ৰাজহুৱা স্বাৰ্থজড়িত বিষয় সম্পৰ্কে কথা পাতিবলৈ ষ্টুডিঅ'ৰ মজিয়ালৈ আমন্ত্ৰণ কৰি অনা অতিথিûবিশেষজ্ঞ আদিৰ সৈতে সৈতে শ্ৰোতাই 'ফোন - ইন অনুষ্ঠানবোৰত পোনপটীয়াকৈ কথা পতাৰ সুযোগ পায়।

ইয়াৰ উপৰি বিভিন্ন ধৰণৰ মনোৰঞ্জনকাৰী অনুষ্ঠান, নিমন্ত্ৰিত শ্ৰোতাৰ অনুষ্ঠান, বাতৰি, আউটডোৰûব্ৰডকাষ্টûঘটনাস্থলভিত্তিক সম্প্ৰচাৰ (OB) অনুষ্ঠান, বিশেষ শ্ৰোতা, যেনে, মহিলা আদিৰ অনুষ্ঠান যুগুত কৰাৰ অন্য বহুতো ফৰমেট আছে।

উপস্থাপন কৌশল

এগৰাকী উপস্থাপকৰ কাম হ'ল এক বা একাধিক ৰেডিঅ'ৰ ফৰমেটৰ জৰিয়তে কোনে বার্তা শ্ৰোতাৰ মাজত প্ৰচাৰ কৰা।

ঘোষণা (Announcement)

এগৰাকী ঘোষকৰ কাম হ'ল কাৰ্যসুচীখন শ্ৰোতাৰ বাবে আকৰ্ষণীয় ৰূপত ঘোষণা কৰা। অৰ্থাৎ আঁত ধৰোতাই তেওঁ উপস্থাপন কৰি থকা অনুষ্ঠানৰ এটা অংশত পৰিণত হয়। এগৰাকী সূত্ৰধাৰে মালা এডালৰ সুত্ৰডালৰ দৰে কাম কৰে। এগৰাকী আঁত ধৰোতাৰ কামো তেনেকুৱাই যদিও তেওঁ অনুষ্ঠান এটাত ভাগ লৈ অনুষ্ঠানটোৰ এৰাব নোৱাৰা অংশ হৈ পৰে। সেয়েহে অনুষ্ঠান এটাৰ বিভিন্ন উপস্থাপনৰ লগতে আঁত ধৰোতা গৰাকীৰো অনুষ্ঠানটোৰ সৈতে এটা ব্যক্তিগত সম্পৰ্ক গঢ় লৈ উঠে।

আঁত ধৰোতা (Compering)

এগৰাকী আঁত ধৰোতোৰ কাম ঘোষক অথবা সূত্ৰধাৰতকৈ অলপ বেলেগ। এগৰাকী আঁত ধৰোতাই তেওঁ উপস্থাপন কৰি থকা অনুষ্ঠানৰ এটা অংশত পৰিণত হয়। এগৰাকী সূত্ৰধাৰে মালা এডালৰ সূত্ৰডালৰ দৰে কাম কৰে। এগৰাকী আঁত ধৰোতাৰ কামো তেনেকুৱাই যদিও তেওঁ অনুষ্ঠান এটাত ভাগ লৈ অনুষ্ঠানটোৰ এৰাব নোৱাৰা অংশ হৈ পৰে। সেয়েহে অনুষ্ঠান এটাৰ বিভিন্ন উপস্থাপনৰ লগতে আঁত ধৰোতা গৰাকীৰো অনুষ্ঠানটোৰ সৈতে এটা ব্যক্তিগত সম্পৰ্ক গঢ় লৈ উঠে।

সংগীত উপস্থাপন

সংগীত উপস্থাপক এগৰাকীয়ে বিভিন্ন ধৰণৰ সংগীতৰ মাজত থকা প্ৰভেদ সম্পৰ্কে খৰছি মাৰি জানি ল'ব লাগে। উপস্থাপক গৰাকীৰ সংগীত সম্পৰ্কীয় জ্ঞানে তেওঁক গীতৰ লগে লগে গীতটো সম্পৰ্কীয় আকৰ্ষণীয় খবৰৰ টুকুৰাঁতথ্য অথবা গায়ক-গায়িকা গৰাকীৰ বিষয়ে শ্ৰোতাক জনোৱাত সহায় কৰিব।

নিয়ন্ত্ৰিত শ্ৰোতাৰ অনুষ্ঠান

এনে অনুষ্ঠান উপস্থাপকৰ ভাষাজ্ঞান, ইতিহাস সম্পৰ্কীয় জ্ঞান আৰু উপস্থাপন কৰিব খোজা অনুষ্ঠানটোৰ প্ৰকৃতি সম্পৰ্কে বিশদ জ্ঞান থকা উচিত। উপস্থাপকৰ ৰসবোধে এনে অনুষ্ঠান প্ৰাণৱন্ত কৰি তোলে। প্ৰয়োজন সাপেক্ষে উপস্থাপকে শালীনতাৰ সীমা চেৰাই নোযোৱাকৈ পৰিস্থিতিগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাত দক্ষ হোৱা উচিত।

পোনপটীয়া ধাৰা বিৱৰণী

কোনো ঘটনা পৰিঘটনা উপস্থাপন কৰা আন এক কৌশল। কোনো এখন ক্ৰিকেট মেটছৰ প্ৰতিবেদন নাইবা গণৰাজ্য দিৱসৰ পেৰেডৰ বিৱৰণ এনে উপস্থাপনৰ উদাহৰণ।

ৰেডিঅ' জ'কী (RJ)

এওঁলোক হ'ল কোনো ধৰা-বন্ধা নীতি-নিয়ম মানি নচলাকৈ অনুষ্ঠান পৰিৱেশন কৰোঁতা। ৰেডিঅ' জ'কী এগৰাকীয়ে স্বতঃস্ফূৰ্তভাৱে শ্ৰোতাৰ সৈতে ভাবৰ আদান-প্ৰদান কৰে। এনে উপস্থাপন শৈলী অপৰম্পৰাগত যদিও উপস্থাপকসকলে শালীনতাৰ সীমা অতিক্ৰম কৰিব নোৱাৰে। পৰম্পৰাগত শৈলীতকৈ এনে শৈলীৰে অনুষ্ঠান উপস্থাপন কৰোঁতা ৰেডিঅ' জ'কীসকল আধুনিক যুগৰ মাজত অধিক জনপ্ৰিয়। বিশেষকৈ যুৱচামৰ মাজত এওঁলোকৰ জনপ্ৰিয়তা সৰ্বাধিক।

সূত্ৰধাৰঁএংকৰ

এগৰাকী সূত্ৰধাৰে নেপথ্য বিৱৰণীৰে বিভিন্ন ধৰণৰ অনুষ্ঠানৰ মাজত সংযোগ স্থাপন কৰে। অনুষ্ঠান আঁত ধৰোতাৰ (compere)) দৰে সূত্ৰধাৰসকল কোনো প্ৰচাৰিত হৈ থকা অনুষ্ঠানৰ অংশ নহয়। কিন্তু উন্নত উপস্থাপনৰ সম্ভৱপৰ কৰি তুলিবলৈ তেওঁলোকে অনুষ্ঠানবোৰৰ মাজৰ যোগসূত্ৰ ৰক্ষাকাৰীৰ ভূমিকা পালন কৰে।

সূত্ৰধাৰঁএংকৰ

অন্য প্ৰচাৰ মাধ্যমৰ বাবে লিখা লেখনিতকৈ ৰেডিঅ' লেখনি কিছু পৃথক। ৰেডিঅ' অনুষ্ঠানৰ বাবে এখন স্ক্ৰিপ্ট্ থকাটো জৰুৰী। ৰেডিঅ'ৰ কঠোৰ সময়সীমা আদিৰ দৰে বহুতো বিশেষ কাৰিকৰী বৈশিষ্ট্য আছে। সেয়েহে ইয়াৰ বাবে লিখাৰো এটা সুকীয়া ধৰণ, সুকীয়া

শৈলী আছে। ৰেডিঅ' লেখনিসমূহ সাধাৰণতে শ্ৰুতিমধুৰ হোৱা উচিত। কাৰণ, শ্ৰোতাই অনুষ্ঠান এটা শুনি থকাৰ সময়ত মনতে সেই অনুষ্ঠানৰ ছবি আঁকি লয়। সেয়েহে ৰেডিঅ' লেখনি যিমান পাৰি সিমান বৰ্ণনাত্মকভাৱে লিখা উচিত।

কেইটামান নিয়ম

- দৈনন্দিন কথা-বতৰাত ব্যৱহৃত শব্দৰ সহায়ত ৰেডিঅ' লিখনি যুগুত কৰা উচিত। অৰ্থাৎ যি ধৰণৰ কথা অধিকাংশ শ্ৰোতাই সহজে বুজি পায়, তেনে ধৰণৰ লিখিব লাগে।
- চুটি আৰু সংঘবদ্ধ বাক্য ব্যৱহাৰ কৰ উচিত।
- ব্যাখ্যা নিৰ্ভৰ খণ্ডবাক্যৰ ব্যৱহাৰ আৰু স্বাচ্ছন্দ্যহীনভাৱে শব্দৰ স্থান পৰিৱৰ্তন কৰিব নালাগে।
- বৰ্ণনাত্মক শৈলী প্ৰয়োগ কৰিব লাগে।
- ৰেডিঅ' স্ক্ৰিপ্ট্ লিখাৰ সময়ত কথনৰ ছন্দ মনত ৰখা উচিত।
- বাক্য সহজে বুজি পোৱা হ'ব লাগে। অত্যন্ত দীঘল আৰু জটিল বাক্য নিলিখাই শ্ৰেয়।
- ৰেডিঅ' অনুষ্ঠাসমূহ "এই মূহুৰ্ততে চলি থকা" বিধৰ হ'ব লাগে। সেয়েহে বাক্য সমূহত যিমান পাৰি নিত্য বৰ্তমান কাল ব্যৱহাৰ কৰা উচিত।
- সৰু সৰু ব্যাখ্যা পৰিহাৰ কৰি যি ক'ব খোজা হৈছে সেয়া পোনপটীয়াকৈ প্ৰকাশ কৰিব লাগে।
- ৰেডিঅ' লেখনিৰ মূল নীতিটো হ'ল প্ৰতিটো প্ৰতিটো বাক্যতে এটাকৈ ধাৰণাৰ ব্যাখ্যা।
- দশমিক হিচাপত সংখ্যাৰ ৰূপ প্ৰকাশ কৰিব নালাগে। গোট সংখ্যাৰে হিচাপ প্ৰকাশ কৰা উচিত।
- 'ওপৰত দিয়া', 'উল্লিখিত', 'তলত দিয়া', নিম্নলিখিত' আদি শব্দ ব্যৱহাৰ কৰিব নালাগে।
- সহজ শব্দ ব্যৱহাৰ কৰা উচিত। সকলো সময়তে অতি বাগাড়ম্বৰপূৰ্ণ কাৰিকৰী ভাষা (Jargon)) এৰাই চলা ভাল।

১.৮.৩ ৰেডিঅ'ত অসমীয়া অনুষ্ঠান

1939 চনত অল ইণ্ডিয়া ৰেডিঅ' কলিকতাৰ পৰা সৰ্বপ্ৰথম অসমীয়া অনুষ্ঠানটো প্ৰচাৰ কৰা হৈছিল। সেই সময়ত অনুষ্ঠান বাণীবদ্ধ কৰাৰ সুবিধা নাছিল। সেয়েহে অনুষ্ঠানবোৰ পোনপটীয়ভাৱে প্ৰচাৰ কৰা হৈছিল। অসমীয়া অনুষ্ঠানটোৰ 10 মিনিটৰ আছিল। যুদ্ধকালীন

উদ্দেশ্য প্রণোদিত (War propaganda) অনুষ্ঠানটো শ্ৰৰ্ট ৰেঙ (SW) বেণ্ডত প্রচাৰ কৰা হৈছিল। পাছলৈ অনুষ্ঠানটোৰ সময় 15 মিনিট কৰি সপ্তাহত দুবাৰ প্রচাৰ কৰাৰ দিহা কৰা হৈছিল। পাছত পুনৰ অনুষ্ঠানটোৰ সময় বঢ়াই 20 মিনিট কৰি সপ্তাহত তিনিদিন প্রচাৰ কৰিবলৈ লোৱা হৈছিল। 1943 চনৰ পৰা এই অনুষ্ঠাটো দৈনিক 30 মিনিট সময় প্রচাৰ কৰা হৈছিল। 1948 চনত 'অল ইণ্ডিয়া ৰেডিঅ' শিলং-গুৱাহাটী' স্থাপন কৰাৰ সময়লৈকে ইয়াৰ সময় সলনি কৰা হোৱা নাছিল।


অল ইণ্ডিয়া ৰেডিঅ' কলিকতাৰ অসমীয়া অনুষ্ঠানটোৰ চোৱা চিতা কৰিছিল গীতিকাৰ-সুৰকাৰ কমল নাৰায়ণ চৌধুৰী আৰু পুৰুষোত্তম দাসে। পাছত উবেইদুল লটিফ বৰুৱা (আকাশবাণীৰ সর্বোচ্চ পদ মহানির্দেশকৰ আসন শুৱনি কৰি অৱসৰ লৈছিল) গৈ তেওঁলোকৰ লগ লাগিছিল। উবেইডুল লটিফ বৰুৱা তেওঁৰ 'দিছ ইজ অল ইণ্ডিয়া ৰেডিঅ' (এয়া আকাশবাণী) নামৰ কিতাপখনৰ বাবেহে অধিক জনাজাত। এই কিতাপখন হ'ল ৰেডিঅ'ৰ বিকাশৰ বিস্তৃত ইতিহাস পুথি।

যদিও অসমীয়া ৰেডিঅ' অনুষ্ঠানৰ যাত্রা 1943 চনৰ পৰা কলিকতাত আৰম্ভ হৈছিল বুলি ক'ব পাৰি, তথাপিও তেতিয়াৰে পৰা অসমত ৰেডিঅ' কেন্দ্র স্থাপন কৰাৰ পাছতহে প্রকৃত অর্থত অসমীয়া অনুষ্ঠান প্রচাৰ আৰম্ভ হ'ল।

1948 চনৰ 1 জুলাইৰ পৰা 'অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী কেন্দ্রৰ কাম-কাজ আৰম্ভ হ'ল। যাত্রাৰ পাতনি মেলাৰ সময়ত কেন্দ্রটোক 'অল ইণ্ডিয়া ৰেডিঅ' শিলং-গুৱাহাটী' বুলি কোৱা হৈছিল। কাৰণ দুটা কেন্দ্রই একেলগে কাম পৰিচালনা কৰিছিল। তেতিয়াৰ ৰাজনৈতিক ৰাজধানী শিলঙত এটা আৰু সাংস্কৃতিক ৰাজধানী গুৱাহাটীত আনটো কেন্দ্রই টেলিফোন সংযোগ ব্যৱস্থাৰে যোগসূত্র স্থাপন কৰি একে সময়তে একেটা অনুষ্ঠানকে প্রচাৰ কৰিছিল। কেন্দ্রৰ ষ্টুডিঅ'টো শিলঙত আছিল। ষ্টেশ্যন নিদের্শক মেহৰা মাছানিৰ নেতৃত্বত সেই সময়ছোৱাত প্রথমটো অনুষ্ঠান প্রস্তুতকাৰী বিষয়ৰ দলত কাম কৰা দুগৰাকীমান সাংস্কৃতিক জগতৰ পৰিচিত ব্যক্তি আছিল উবেইদুল লটিফ বৰুৱা, পুৰোষোত্তম দাস, ড. ভূপেন হাজৰিকা, ফণী তালুকদাৰ, বীৰেন্দ্র কুমাৰ ফুকন, চৈয়দ আব্দুল মালিক, মৃগেন্দ্র নাথ চৌধুৰী, অবনী কুমাৰ দাস, নাৰায়ণ বেজবৰুৱা, ৰৌশনাৰা খাটুন, ৰঞ্জন বৰা, সত্য প্রসাদ বৰুৱা আদি। ঘোষক-ঘোষিকাৰ সর্বপ্রথম দলৰ কেইগৰাকীমান সদস্য-সদস্যা হ'ল স্বনামধন্য সাহিত্যিক পদ্ম বৰকটকী, আন্তঃৰাষ্ট্রীয় খ্যাতিসম্পন্ন অভিনেত্রী জ্ঞানদা কাকতি, গীতিকাৰ শিৰ ভট্টাচার্য আদি। এই লোকসকলৰ নেতৃত্বত অসমীয়া অনুষ্ঠান প্রাণ-প্রাচুর্য্যৰে বর্ণিত হৈ সম্প্রচাৰিত হ'বলৈ ধৰিলে।

1953 চনত গুৱাহাটীত এটা উচ্চ ক্ষমতাসম্পন্ন ট্রেন্সমিটাৰ বহুওৱা হ'ল। তেতিয়াৰে পৰা কেন্দ্রটোৰ 'আকাশবাণী গুৱাহাটী' বুলি নতুনকৈ নামকৰণ কৰা হ'ল। মুখ্য কার্যালয় শিলঙৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰা হয়। বহুতো অনুষ্ঠান গুৱাহাটী কেন্দ্রৰ পৰাই প্রচাৰিত হ'বলৈ ধৰে। লাহে লাহে শিলং কেন্দ্রৰ গুৰুত্ব কমি যাবলৈ ধৰে। এটা সময়ত শিলং কেন্দ্র কেৱল

অনুষ্ঠান বাণীবদ্ধ কৰা ষ্টুডিঅ'ত পৰিণত হয়। অতি কম সময়ৰ ভিতৰতে আকাশবাণী গুৱাহাটী কেন্দ্রই অসমীয়া কৃষ্টি-সংস্কৃতিৰ সকলো দিশ সামৰি লৈ অনুষ্ঠান প্রচাৰ কৰিবলৈ ধৰিলে। সমৃদ্ধ অসমীয়া সংস্কৃতি উপস্থাপন কৰাৰ এক মঞ্চসৈ ৰূপান্তৰিত হ'ল আকাশবাণী গুৱাহাটী। অসমীয়া সাহিত্যৰ প্রাতঃস্মৰণীয়া ব্যক্তি ড. মহেশ্বৰ নেওগে আকাশবাণী গুৱাহাটীৰ প্রথমটো কৃষিভিত্তিক অনুষ্ঠান আৰম্ভ কৰিলে। ইয়াৰ নাম দিয়া হ'ল 'গঞা শ্রোতাৰ অনুষ্ঠান'। স্বনামধন্য ঔপন্যাসিক ড. বিৰিঞ্চি কুমাৰ বৰুৱাই আৰম্ভ কৰিলে 'অকণিৰ মেল'। অৰুণ শর্মা, কুলদা কুমাৰ ভট্টাচার্য, দুর্গেশ্বৰ বৰঠাকুৰ, মহেন্দ্র বৰঠাকুৰ, খগেন মহন্ত আৰু অন্য বহুকেইজন ব্যক্তিৰ আশাশুধীয়া প্রচেষ্টাত উচ্চ মানবিশিষ্ট অসমীয়া অনুষ্ঠানৰ সৃষ্টি আৰু প্রচাৰ সম্ভৰপৰ হৈ উঠিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 1¼ ৰেডিঅ' অনুষ্ঠানৰ বহলভিত্তিক শিতান বিন্যাস ব্যাখ্যা কৰক।

.....

.....

.....

প্রশ্ন নং 2¼ 'অনুষ্ঠান বিন্যাস' মানে কি বুজে?

.....

.....

প্রশ্ন নং 3¼ সংবাদৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং 4¼ ৰেডিঅ' আলেখ্য মানে কি?

.....

.....

প্রশ্ন নং 5¼ এখন ৰেডিঅ' স্ক্রিপ্ট লিখাৰ সময়ত মানি চলিবলগীয়া মূল নীতিসমূহ কি কি?

.....

.....

.....

প্রশ্ন নং 6¼ 'নিউজ ৰীল' মানে কি?

.....

.....



অনুশীলনী- ১.২

আকাশবাণী গুৱাহাটী কেন্দ্রই প্রচাৰ কৰা অতি কমেও তিনিটা ভিন্ ভিন্ ধৰণৰ অনুষ্ঠান শুনক। অনুষ্ঠানকেইটাৰ সমালোচনাত্মক বিশ্লেষণ দাঙি দৰক।


১.৯ ৰেডিঅ' অনুষ্ঠান প্রযোজনাৰ প্রাথমিক জ্ঞান

ৰেডিঅ' অনুষ্ঠান প্রযোজনৰ তিনিটা মৌলিক পর্যায় আছে —

1। প্রাক্ প্রযোজনা পর্যায়

2। প্রযোজনা পর্যায়


3। প্রযোজনৰ পাছৰ পর্যায়



বহল অর্থত ক'বলৈ হ'লে অনুষ্ঠান এটা শৃংখলাবদ্ধভাৱে সজাই লৈ ষ্টুডিঅ'ৰ মজিয়ালৈ পৰিবেশনৰ বাবে অনাৰ দায়িত্ব পালন কৰা জনেই প্রযোজক। পৰিকল্পনা যুগুত কৰি লোৱা মতে অনুষ্ঠানটোৰ স্ক্রিপ্টখন সাৱধানে লিখি উলিয়াব লাগে। স্ক্রিপ্টখন সাজু হৈ উঠাৰ লগে লগে 'ব্রীফ' (brief) সাজু কৰা তথা সম্প্রচাৰৰ বাবে উপযুক্ত হৈছেনে সেয়া সিদ্ধান্ত গ্রহণ কৰাবলৈ সাৱধানে পঢ়ি চাব লাগে। এয়াই হ'ল প্রযোজকৰ টেবুলত স্ক্রিপ্ট সম্পাদনা কৰাৰ পর্যায়টো। সম্পাদিত স্ক্রিপ্টখন সাজু হোৱাৰ পাছত এক নির্দিষ্ট সময়ৰ বাবে ষ্টুডিঅ' ঠিক কৰা আদি

কামবোৰ হাতত লোৱা হয়। নাটকৰ দৰে কিছুমান অনুষ্ঠানৰ ক্ষেত্রত অভিনেতা-অভিনেত্রী ভাৰা কৰা বিশেষ ছাউণ্ড এফেক্ট আদি সংগ্রহ কৰি লোৱাটো জৰুৰী। উন্নতমানৰ অনুষ্ঠান প্রযোজনা কৰিবৰ বাবে আখৰাৰ প্রয়োজন। তাৰ পাছত অভিনেতা-অভিনেত্রীসকলৰ অভিনয় ষ্টুডিঅ' নাইবা আউট-ব্রডকাষ্টত (OB) বাণীবদ্ধ কৰা হয়।

বাণীবদ্ধকৰণৰ পর্যায়টোৰ সামৰণি পৰাৰ পাছত অনুষ্ঠান প্রযোজনাৰ সমগ্র প্রক্রিয়াটো অন্তিম পর্যায়ত উপনীত হয়। এই পর্যায়তে অনুষ্ঠানটোৰ সকলোবোৰ অলাগতিয়াল আৰু অবাঞ্চিত অংশ বাণীবদ্ধ সংস্কৰণটোৰ পৰা বাদ দিয়া হয়। অনুষ্ঠানটো নির্দ্ধাৰিত সময়সূচীৰ ভিতৰত মিলাই লোৱা হয় তথা ছাউণ্ড এফেক্ট, পৰিৱেশ, সংগীত, আৱহ সংগীত আদিক প্রযোজকৰ পূর্ব-নির্দেশনা অনুসৰি বাণীবদ্ধ সংস্কৰণটোৰ সৈতে সংযোজিত কৰা হয়। এইদৰেই একোটা অনুষ্ঠান সম্প্রচাৰৰ বাবে সংযোজিত কৰা হয়। এইদৰেই কোম্পানীবোৰৰ 'ফীডবেক' সংগ্রহ কৰাৰ নিজস্ব পদ্ধতি থাকে। এনে এটা সাধাৰণ পদ্ধতি হ'ল শ্রোতাৰ চিঠি-পত্র। অনুষ্ঠান এটাৰ মূল্যায়ন কৰিবলৈ শ্রোতাৰ মন বুজিবলৈ এনে পদ্ধতি গ্রহণ কৰা উচিত। ইয়েই পৰৱর্তী অনুষ্ঠান নীতি তৈয়াৰ কৰাত প্রযোজকসকলক সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 18। প্রযোজনাৰ পর্যায়বোৰ কি কি?

.....

.....

.....

.....



১.১০অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰেডিঅ' হ'ল এনে এটা গণসংযোগ মাধ্যম যিটোৰ জৰিয়তে একে সময়তে বিপুল সংখ্যক লোকৰ মাজত কোনো বার্তা প্রচাৰ কৰিব পৰা যায়।
- ৰেডিঅ'ৰ দুটা প্রাৰম্ভিক ৰূপ হ'ল অনাটাৰ টেলিগ্রাফী আৰু ৰেডিঅ' টেলিফোন।
- ৰেডিঅ' ৰ কিছুমান নিজা বৈশিষ্ট্য আছে।
- শ্রোতাৰ মাজত চলোৱা বিভিন্ন সমীক্ষাৰ দ্বাৰা তেওঁলোকৰ চাহিদা আৰু ৰুচিৰ বিষয়ে জানিব পৰা যায় আৰু সেই মতে ৰেডিঅ' অনুষ্ঠানসমূহ যুগুত কৰা হয়।

- সম্প্রচাৰ (Broadcasting) মানে হ'ল শ্রোতাৰ মাজত শ্রব্য সংকেত বিলাই দি অনুষ্ঠান প্রচাৰ কৰা প্রক্রিয়া। শ্রোতা মানে সাধাৰণ ৰাইজ অথবা শিশু আৰু যুৱক-যুৱতীৰ দৰে আপেক্ষিকভাৱে বৃহৎ উপ-শ্রোতাবৃন্দ হ'ব পাৰে।
- এটা গণ প্রচাৰ মাধ্যম হিচাপে ৰেডিঅ'ই অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই শ্রোতাৰ ওপৰত ব্যক্তিগত আৰু সামাজিক দুই ধৰণৰ প্রভাৱ পেলাব পাৰে।
- AIR-ৰ এটা তিনি খলপীয়া সম্প্রচাৰ প্রণালী আছে। প্রণালীটো হ'ল ৰাষ্ট্রীয়, আঞ্চলিক আৰু স্থানীয় প্রচাৰ।
- AIR-ৰ নিজা লক্ষ্য-উদ্দেশ্য আছে।
- 'বিবিধ ভাৰতী' হ'ল আকাশবাণীৰ মনোৰঞ্জনকাৰী আৰু ব্যৱসায়িক প্রচাৰ সেৱা।
- ভাৰতত ৰাজহুৱা সম্প্রচাৰ ক্ষেত্রত স্ব-নিয়ন্ত্রণৰ দাবীটো হ'ল এটা গম্ভীৰ আলোচনাৰ বিষয়। এই বিষয় তিনিখন জৰুৰী কমিটি-বিধেয়ক হ'ল চন্দা কমিটি, প্রসাৰ ভাৰতী।
- এফ এম ৰেডিঅ'ই প্রচাৰ মাধ্যমৰূপে ৰেডিঅ'ৰ হৃত গৌৰৱ পুনৰ ঘূৰাই আনিছে আৰু সম্প্রচাৰক এক নতুন মাত্রা প্রদান কৰিছে।
- আটাইবোৰ ৰেডিঅ' অনুষ্ঠানকে দুটা বহল ভাগত ভগাব পাৰে। যেনে — 1. কথিত শব্দৰ অনুষ্ঠান আৰু 2. সংগীতৰ অনুষ্ঠান।
- *কথিত শব্দৰ অনুষ্ঠানত* সংগীত বাদ দি বাকী সকলোবোৰ অনুষ্ঠান সামৰি লোৱা হয়।
- সংগীতৰ অনুষ্ঠানত সকলো ধৰণৰ সংগীত সামৰি লোৱা হয়।
- যিটো পৰিকল্পনাৰ আধাৰত দৈনিক অনুষ্ঠানসূচী যুগুত কৰা হয় তাকেই অনুষ্ঠান বিন্যাস বোলে।
- এই মাত্র ঘটি যোৱা অথচ আমি গম নোপোৱা আৰু ঘটিব লগীয়া কোনো ঘটনাৰ সবিশেষ তথ্যই হ'ল 'সংবাদ'।
- যিকোনো সংবাদ তথ্য অথবা সাম্প্রতিক ঘটনাৰ তথ্যকে সংবাদ বোলে।
- সাধাৰণ ৰেডিঅ'ৰ অনুষ্ঠান ফৰমেট দুটামান হ'ল - কথিকা, সাক্ষাৎকাৰ, আলেখ্য, আলোচনা আদি।
- সম্প্রচাৰৰ বাবে অনুষ্ঠান প্রস্তুত কৰাৰ দায়িত্ব লাভ কৰা ব্যক্তি গৰাকীকে প্রযোজক বোলে।



১.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Aspinall, Richard (1971). Radio Programme Production : A Manual for Training. Paris : UNESCO
2. Keith, Michael C. The Radio Production. Focal Press
3. McLeish,Robert (1999). Radio Production : A Manual for Broadcasters. USA : Focal Press



১.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সম্প্ৰচাৰ (Broadcasting) মানে হ'ল শ্ৰব্য সংকেতৰ বিতৰণ। এনে সংকেতৰ জৰিয়তে অগণন শ্ৰোতাৰ মাজত অনুষ্ঠান প্ৰচাৰিত কৰা হয়। ৰেডিঅ'ৰ শ্ৰোতা সাধাৰণ ৰাইজো হ'ব পাৰে নাইবা আপেক্ষিকভাৱে বিশাল উপ-শ্ৰোতাবৰ্গও হ'ব পাৰে। এনে উ প-শ্ৰোতাবৰ্গৰ উদাহৰণ হ'ল শিশু অথবা যুৱক-যুৱতীসকল।

ইংৰাজী শব্দ 'Broadcast' -ৰ অৰ্থ হ'ল এখন বহল পথাৰত বাজ সিঁচৰতি কৰা। এই শব্দটো মিডৱেষ্টাৰ্ন আমেৰিকাৰ ৰেডিঅ' অভিযন্তাসকলে প্ৰথমে ব্যৱহাৰ কৰিছিল। ইয়াৰ দ্বাৰা তেওঁলোকে ৰেডিঅ' সংকেতৰ তদ্ৰূপ বিতৰণৰ কথা বুজাইছিল। সম্প্ৰচাৰে গণ প্ৰচাৰ মাধ্যমৰ এটা বিশাল অংশ আগুৰি আছে।

অতি সীমিত সংখ্যক শ্ৰোতাৰ বাবে অনুষ্ঠান সম্প্ৰচাৰ কৰাকে 'সীমাবদ্ধ প্ৰচাৰ' অথবা 'Narrowcasting' বোলা হয়। সমূহীয়া ৰেডিঅ'ৰ ধাৰণাটো এনে ধৰণৰ প্ৰচাৰ সেৱাৰ সৃষ্টি হৈছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অন্য গণ প্ৰচাৰ মাধ্যমবোৰৰ দৰে ৰেডিঅ'ৰো কেইটামান স্বকীয় বৈশিষ্ট্য আছে।

ক) পোনপ্ৰথমে ক'ব পাৰি যে ৰেডিঅ' হ'ল এটা দৃষ্টি গোচৰ নোহোৱা মাধ্যম (Blind medium)। ই শ্ৰোতাৰ মনত কল্পনা শক্তি জাগ্ৰত কৰে।

খ) ৰেডিঅ'ৰ এটা প্ৰধান সুবিধা হ'ল ৰেডিঅ' শুনি থকা সময়ত অন্য কাম কাজো কৰি থাকিব পৰা যায়।

গ) ৰেডিঅ' কেৱল ধ্বনিৰ ওপৰত নিৰ্ভৰশীল।

ঘ) ৰেডিঅ'ৰ কোনো সীমা নাই। ভৌগোলিক সীমা আৰু নাগৰিকত্বৰ ধাৰণাই পৃথক কৰাসকলো ব্যক্তিৰে ই কাষ চাপিব পাৰে। ইয়াৰে কোনো নিৰ্দিষ্ট ভূ-খণ্ড ভিত্তিক সীমা নাথাকে। ৰেডিঅ'ই নিৰক্ষতাৰ বাধাও অতিক্ৰম কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ' হ'ল এটা গণসংযোগ মাধ্যম। ইয়াৰ জৰিয়তে কোনো এক বার্তা অগণন শ্ৰোতাৰ মাজত প্ৰচাৰ কৰিব পাৰে।

1896 চনত ইটালীৰ গৱেষক-বিজ্ঞানী গুগ্‌লিলম' মাক'নিয়ে এটা যন্ত্ৰ উদ্ভাৱন কৰিছিল। এই যন্ত্ৰটোক পাছলৈ ৰেডিঅ' নাম দিয়া হৈছিল। যন্ত্ৰটোৰ স হায়ত কোনো তাঁৰ ব্যৱহাৰ নকৰাকৈ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ধ্বনি প্ৰেৰণ কৰিব পৰা গৈছিল।

ৰেডিঅ' সম্প্ৰচাৰ হ'ল একে সময়তে বিপুল সংখ্যক শ্ৰোতাৰ মাজত বার্তা বিয়পাব পৰা মাধ্যমবোৰৰ মাজৰে এটা। এনে ধৰণৰ সংযোগকে গণসংযোগ বোলা হয়। আধুনিক সামাজিক বিকাশত ৰেডিঅ'ই গণসংযোগ মাধ্যম ৰূপে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ই ৰাজহুৱা বিষয়বোৰক এখন মঞ্চত আলোচনা কৰাৰ সুযোগ দিয়ে। ৰেডিঅ'ই আমাক জীৱনৰ আনন্দ বহলভাৱে উপভোগ কৰাত সহায় কৰে তথা চৌপাশৰ পৰিবেশ সম্পৰ্কে আমাৰ জ্ঞান আৰু বোধ বৃদ্ধি কৰে। ই আমালৈ তথ্য কঢ়িয়াই আনি ব্যক্তিগত তথা দলীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমাক উদ্বুদ্ধ কৰি তোলে। উন্নয়নশীল দেশবোৰৰ সামাজিক পৰিৱৰ্তনৰ গতি তৰান্বিত কৰাত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

সাধাৰণ সুলভতাৰ দিশৰ পৰা ৰেডিঅ' হ'ল গণসংযোগৰ এক অগ্ৰণী মাধ্যম।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিৰ ওপৰত ৰেডিঅ'ই পেলোৱা প্ৰভাৰ কিছুমান হ'ল —

- ৰেডিঅ'ই মানুহক সমস্যা আৰু উদ্বিগ্নতাৰ পৰা আঁতৰাই নি কিছু সময় অৱসৰ বিনোদন আৰু মনোৰঞ্জন লাভ কৰাৰ সুবিধা দিয়ে।
- তথ্য আৰু দিহা-পৰামৰ্শৰ উৎস হিচাপে কাম কৰি ৰেডিঅ'ই আমাৰ সমস্যা সমাধানত সহায় কৰে।
- ৰেডিঅ'ই মানুহক বিভিন্ন সংবাদ জনাৰ সুযোগ দিয়ে।
- ৰেডিঅ'ই মানুহৰ জ্ঞান আৰু সজাগতা বৃদ্ধি কৰে।

সমাজৰ ওপৰত ৰেডিঅ'ই তলত দিয়া ধৰণে প্ৰভাৰ পেলাব পাৰে —

- জ্বলন্ত সামাজিক সমস্যাবোৰৰ বিষয়ে মানুহক সজাগ কৰি তুলিব পাৰে।
- ই নব্য চিন্তা বিয়পি পৰাত সহায় কৰে, বৈচিত্ৰ্য তথা পৰিৱৰ্তনৰ পোষকতা কৰে আৰু সামাজিক শৃংখলা বজাই ৰখাত সহায় কৰে।
- কোনো বিষয় সন্দৰ্ভত ৰাজহুৱা মতামত সংগ্ৰহ কৰিব পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অধ্যাপক এম. ভি. গোপালাস্বামীয়ে 1957 চনত 'আকাশবাণী' নামটো সৃষ্টি কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ 1923 চনৰ জুন মাহত মুম্বাইৰ ৰেডিঅ' ক্লাবে ভাৰতত প্ৰথমটো ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ কৰিছিল।

ইয়াৰ পাছতেই ভাৰতত এটা 'সম্প্ৰচাৰ সেৱা প্ৰণালী' তৈয়াৰ কৰা হৈছিল। 1927 চনৰ জুলাই মাহত এই সেৱাৰ জৰিয়তে মুম্বাই আৰু ক'লকাতাৰ পৰা একে সময়তে পৰীক্ষামূলকভাৱে ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল। এই মৰ্মে ভাৰত চৰকাৰ আৰু 'ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানী লিমিটেড' নামৰ এটা ব্যক্তিগত কোম্পানী চুক্তিবদ্ধ হৈছিল। 1930 চনত ভাৰত চৰকাৰে এই কোম্পানীটোক এটা ৰাষ্ট্ৰীয়কৃত কোম্পানীলৈ ৰূপান্তৰিত কৰিছিল। তাৰ পাছৰ পৰা কোম্পানীটোৱে 'ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিছ্ছে' নামেৰে প্ৰচাৰ সেৱা চলাই গৈছিল। এই পৰীক্ষামূলক সম্প্ৰচাৰৰ সফলতাই চৰকাৰক উৎসাহিত কৰিলে। ইয়াৰে বাবে এটা পৃথক বিভাগ গঠন কৰা হৈছিল। 1936 চনৰ জুন মাহত ISBS-ক অল ইণ্ডিয়া ৰেডিঅ' (AIR) বুলি নতুনকৈ নামকৰণ কৰা হয়। 1957 চনত আনুষ্ঠানিকভাৱে AIR-ক আকাশবাণী নাম দিয়াহয়। অৱশ্যে ইংৰাজী ভাষাৰ অনুষ্ঠানত ইয়াক এতিয়াও 'অল ইণ্ডিয়া ৰেডিঅ' বুলিয়েই কোৱা হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ AIR-ৰ এটা তিনিখলপীয়া সম্প্ৰচাৰ পদ্ধতি আছে। পৰ্যায় তিনিটা হ'ল ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু স্থানীয় সম্প্ৰচাৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ 'বিবিধ ভাৰতী' হ'ল AIR-ৰ মনোৰঞ্জনমূলক আৰু ব্যৱসায়িক সেৱা। 1957 চনত এই সেৱাৰ সুচনা কৰা হয়। এতিয়াও ই দেশৰ সৰ্বত্ৰ অতি জনপ্ৰিয়। এতিয়ালৈকে দেশৰ বিভিন্ন স্থানত 40 টা বিবিধ ভাৰতী ষ্টেশ্যন আছে। দেশৰ যিকোনো অংশৰ পৰা একেটা তৰংগ দৈৰ্ঘত একে সময়তে ইয়াৰ অনুষ্ঠানবোৰ কেন্দ্ৰীয়ভাৱে মুম্বাই কেন্দ্ৰৰ পৰা সম্প্ৰচাৰ কৰা হয়। অন্য AIR বিবিধ ভাৰতী ষ্টেশ্যনবোৰ (যেনে-গুৱাহাটী) নিজ নিজ ভাষাত কোনো পূৰ্বনিৰ্দিষ্ট সময়ত কেইটামান নিজস্ব অনুষ্ঠানো সম্প্ৰচাৰিত কৰে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰচাৰ ভাৰতী' (ভাৰতীয় সম্প্ৰচাৰ নিগম হ'ল ভাৰতৰ সৰ্ববৃহৎ ৰাজহুৱা সম্প্ৰচাৰ সেৱা। ই ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এক স্বতন্ত্ৰ নিগম। দূৰদৰ্শন আৰু আকাশবাণীয়ে এই নিগমৰ নিয়ন্ত্ৰণাধীন হৈ কাম-কাজ পৰিচালনা কৰি আহিছে।
1997 চনৰ 23 নবেম্বৰত প্ৰসাৰ ভাৰতী গঠন কৰা হয়। অন্য বহুতো দেশৰ দৰে চৰকাৰৰ মালিকীস্বত্ব থকা বৈদ্যুত্যিক প্ৰচাৰ মাধ্যমকো স্বনিয়ন্ত্ৰণৰ অধিকাৰ দিব লাগে বুলি উত্থাপিত হোৱা দাবীৰ ফলস্বৰূপে প্ৰচাৰ ভাৰতীৰ জন্ম হয় যদিও 1990 চনৰ 15 ছেপ্তেম্বৰৰ পৰাহে বলবৎ কৰা হৈছিল।
এটা নিগমৰূপে 'প্ৰচাৰ ভাৰতী'ক প্ৰচাৰ ভাৰতী বোৰ্ডে নিয়ন্ত্ৰণ কৰে। বোৰ্ডত এগৰাকী অধ্যক্ষ, প্ৰধান কাৰ্যবাহী বিষয়া, বোৰ্ডৰ সদস্যবৃন্দ তথা AIR আৰু দূৰদৰ্শনৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ জেষ্ঠ বিষয়াবৰ্গ থাকে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ এফ এম ৰেডিঅ'ৰ সুবিধাবোৰ হ'ল —

- উচ্চ মান বিশিষ্ট ধ্বনি

- ষ্টেৰিঅ' সংকেত প্ৰেৰণ
- সমাৰোপণ আৰু ধ্বনি প্ৰদূষণৰ পৰা যথেষ্ট মুক্ত
- দিনে-ৰাতি একে ধৰণৰ সেৱা প্ৰদান
- মূল্য সংযোজিত সেৱা আগবঢ়াব পৰা সামৰ্থ

১১ নং প্ৰশ্নৰ উত্তৰ ঃ সমূহীয়া ৰেডিঅ' হ'ল এনে এবিধ ৰেডিঅ' সেৱা যিটোৰ জৰিয়তে এটা সীমিত এলেকাৰ শ্ৰোতাৰ চাহিদা আৰু ৰুচি পূৰণৰ প্ৰয়াস কৰা হয়। ইয়াৰ জৰিয়তে কোনো এক নিৰ্দিষ্ট এলেকাৰ শ্ৰোতাৰ মাজত জনপ্ৰিয় বিষয়বস্তু প্ৰচাৰ কৰা হয়। বৃহৎ, ক্ষমতাশালী ৰেডিঅ' সেৱা সম্প্ৰচাৰকসকলৰ এই সেৱাৰ প্ৰতি সিমান মনোযোগ দিয়া নাযায়।
ভাৰতত বিংশ শতিকাৰ 90 ৰ দশকৰ দশকৰ মাজ ভাগৰ পৰা সমূহীয়া ৰেডিঅ'ক ৰৈধতা প্ৰদান কৰা দাবীত অভিযান আৰম্ভ হৈছিল।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠানসমূহক সাধাৰণতে বহুলভাৱে দুটা উমৈহতীয়া শিতানত বিভক্ত কৰি লোৱা হয় — i) কথিত শব্দৰ অনুষ্ঠান আৰু ii) সংগীতৰ অনুষ্ঠান। কথিত শব্দৰ অনুষ্ঠান সংগীতৰ বাহিৰে বাকী সকলোবোৰ অনুষ্ঠান, যেনে — কথিকা, আলোচনা, শৈক্ষিক সম্প্ৰচাৰ, বিশেষ শ্ৰোতাবৰ্গৰ বাবে অনুষ্ঠান (মহিলা, শিশু, গঞ্জা (শ্ৰোতা), নাটক আলেখ্য, সংবাদ মেগাজিন, ধাৰা বিৱৰণী, সংবাদ তথা ধৰ্মীয় অনুষ্ঠান আদিক সামৰি লোৱা হয়।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠানসমুহ বিশৃংখলভাৱে সম্প্ৰচাৰ কৰা নহয়। ইয়াৰ বাবে একোখন অনুষ্ঠান কৰ্ম পৰিকল্পনা যুগুত কৰা হয়। সাধাৰণতে তিনি মাহৰ বাবে কৰ্ম পৰিকল্পনা একোখন সাজু কৰি লোৱা হয়। মূল পৰিকল্পনা দৈনিক অনুষ্ঠানসূচীত বিভক্ত কৰা হয়। এইদৰে এখন দৈনিক অনুষ্ঠানসূচীৰ জৰিয়তেঅনুষ্ঠানবোৰৰ মাজত সমতা স্থাপন কৰা হয়। বিভিন্ন শিতানৰ অনুষ্ঠাৰ বাবে নিৰ্দিষ্ট সময় ধাৰ্য কৰা তথা কেনে সময়ত কি অনুষ্ঠান প্ৰচাৰ কৰা হ'ব সেয়া ঠিৰাং কৰি লোৱা হয়। এই সমগ্ৰ কাম কাম-কাজক অনুষ্ঠান বিন্যাস বুলি কোৱা হয়।
একোটা ৰেডিঅ' ষ্টেশ্যনৰ বৈশিষ্ট্য অথবা ভাৰমূৰ্তি গঠনত এনে অনুষ্ঠান বিন্যাস একোখন যুগুত কৰা পদ্ধতিটোৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংগীত প্ৰচাৰৰ বাবে ধাৰ্য কৰা সময়, কেনে ধৰণৰ সংগীত প্ৰচাৰ কৰা হ'ব, সংবাদ আৰু শৈক্ষিক অনুষ্ঠান প্ৰচাৰত কিমান গুৰুত্ব দিয়া হৈছে আদিবোৰ হ'ল এটা ৰেডিঅ' ষ্টেশ্যনে অনুষ্ঠান বিন্যাস এখন তৈয়াৰ কৰাৰ সময়ত মনোযোগ দিবলগীয়া দিশ।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ যিকোনো *নতুন তথ্য* অথবা *সাম্প্ৰতিক ঘটনাৱলীৰ তথ্যই* হ'ল সংবাদ। শেষতীয়াকৈ ঘটা অথবা ঘটিব লগীয়া আৰু শ্ৰোতাই গম নোপোৱা ঘটনাবোৰৰ সবিশেষ বৰ্ণনাকে সংবাদ বোলা হয়।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ আলেখ্য হ'ল এটা সৃজনাত্মক কৰ্ম। ই কোনো গল্প নাইবা উপন্যাস লেখন নহয়। কথিত শব্দকে সংবাদ, কথিকা অথবা নাটক বুলি ক'ব পৰা নাযায়। কিছুমান কথাত

সংবাদৰ দৰেই জৰুৰীভাৱে সদৰি কৰাৰ প্ৰয়োজন হয়। তেনে কথা প্ৰকাশ কৰিবলৈ কথিকা আৰু নাটকৰ মিশ্ৰিত কৌশল এটা ব্যৱহাৰ কৰা হয়। এনে অনুষ্ঠানৰ বিষয়ে বুজাবলৈ 'আলেখ্য' শব্দটো ব্যৱহাৰ কৰা হয়। আলেখ্যবোৰ কোনো ঘটি থকা অথবা ঘটি যোৱা ঘটনাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়। আলেখ্য এখন আগবঢ়াই নিয়াত সহায় কৰে কোনো মধুৰ আৰু ব্যক্তিত্বসম্পন্ন কণ্ঠস্বৰৰ গৰাকীয়ে। তাৰ সৈতে পৰিৱেশ সৃষ্টিকাৰী সংগীত আৰু ছাউণ্ড এফেক্ট যোগ দি কাহিনীটো বৰ্ণনা কৰা হয়। ধাৰাভাষ্য, ধ্বনি আৰু অন্য শব্দ কণ্ঠবোৰ সাৱধানে পৰিকল্পনা কৰি সুষম গতিৰে আগবাঢ়ি যাব পৰাকৈ সজাই ল'ব লাগে।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ অন্য প্ৰচাৰ মাধ্যমৰ বাবে লিখা লেখনিতকৈ ৰেডিঅ' লেখনি কিছু পৃথক। কাৰণ মাধ্যমটোৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে। সকলোবোৰ ৰেডিঅ' অনুষ্ঠানৰ বাবে একোখন স্ক্ৰিপ্ট্ থকাটো প্ৰয়োজন। কঠোৰ সময় সীমা আদিৰ দৰে ৰেডিঅ'ৰ বহুতো বিশেষ কাৰিকৰী বৈশিষ্ট্য আছে। সেয়েহে ৰেডিঅ'ৰ বাবে লিখাৰ সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত। সাধাৰণতে ৰেডিঅ' লেখনি নামে হ'ল কথিত শব্দৰ লেখনি।

নিয়ম কেইটামান হ'ল ঃ

ক) দৈনন্দিন কথা-বতৰাত ব্যৱহৃত শব্দ প্ৰয়োগ কৰা উচিত। অৰ্থাৎ অধিকাংশ শ্ৰোতাই সহজে বুজি পোৱা ধৰণে লিখা উচিত।

খ) বাক্যবোৰ চুটি হোৱা উচিত।

গ) ব্যাখ্যা নিৰ্ভৰ খণ্ডবাক্যৰ ব্যৱহাৰ আৰু স্বাচ্ছন্দ্যহীনভাৱে শব্দৰ স্থান পৰিৱৰ্তন কৰিব নালাগে।

ঘ) যথাসম্ভৱ বৰ্ণনাত্মক শব্দ ব্যৱহাৰ কৰিব লাগে।

ঙ) কথনৰ নিজস্ব ছন্দ থাকে। ৰেডিঅ'ৰ লেখনি লিখাৰ সময়ত এই ছন্দৰ কথা মনত ৰাখিব লাগে।

চ) লেখনিটোৰ অগ্ৰগতিৰ প্ৰতিটো পৰ্যায়তে অৰ্থ পৰিস্কাৰ তথা বোধগম্য হোৱা উচিত।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ 'নিউজ ৰীল' হ'ল সংবাদ বিস্তৃতভাৱে উপস্থাপন কৰা এটা শৈলী। এনে অনুষ্ঠানত প্ৰত্যক্ষদৰ্শীৰ ভাষ্য, মূল উল্লেখ কৰা বিশিষ্ট ব্যক্তিৰ ভাষণৰ অংশ, সংবাদৰ উৎসৰ সৈতে সম্পৰ্ক থকা ছাউণ্ড এফেক্ট, কথিকা, ধাৰাভাষ্য আদি সংযোজিত কৰা হয়। 15 মিনিট অথবা তাতকৈ কিছু অধিক সময়ৰ বাবে প্ৰচাৰিত হোৱা 'নিউজ ৰীল'বোৰ হ'ল সংবাদ সম্প্ৰচাৰৰ এটা জনপ্ৰিয় ৰূপ।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰযোজনাৰ মৌলিক পৰ্যায় তিনিটা হ'ল —

ক) প্ৰাক্-প্ৰযোজনা পৰ্যায়

খ) প্ৰযোজনা পৰ্যায়

গ) প্ৰযোজনা পাছৰ পৰ্যায়



১.১৩ সম্ভাব্য প্ৰশ্ন

প্ৰশ্ন 1. ৰেডিঅ'ৰ সংজ্ঞা দিয়ক। গণসংযোগত ৰেডিঅ'ৰ ভূমিকা সম্পৰ্কে আপোনাৰ মতামত কি?

প্ৰশ্ন 2. ভাৰতত অল ইণ্ডিয়া ৰেডিঅ'ৰ বিকাশ আৰু কাম-কাজ বৰ্ণনা কৰক।

প্ৰশ্ন 3. অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ'ৰ সবল দিশ আৰু দুৰ্বলতাবোৰ কি কি?

প্ৰশ্ন 4. ৰেডিঅ'ৰ ইতিহাস আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন 5. ভাৰতত ৰেডিঅ'ৰ বিকাশ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন 6. আকাশবাণীৰ বিকাশ, উদ্দেশ্য আৰু কাৰ্য, সম্পাদন পদ্ধতিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন 7. এফ এম ৰেডিঅ' মানে কি?

প্ৰশ্ন 8. আমাৰ দেশৰ উন্নতিৰ বাবে আকাশবাণী আৰু দূৰদৰ্শনে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ লাভ কৰাতো উচিত বুলি আপুনি ভাবেনে? ভাৰতৰ প্ৰেক্ষাপটত প্ৰচাৰ মাধ্যমলৈ স্ব-নিয়ন্ত্ৰণৰ অধিকাৰৰ বিষয়টো চমূকৈ আলোচনা কৰক।

প্ৰশ্ন 9. সমূহীয়া ৰেডিঅ' মানে কি?

প্ৰশ্ন 10. 'আকাশবাণী গুৱাহাটী'ৰ উত্থানৰ ইতিহাস বৰ্ণনা কৰক।

প্ৰশ্ন 11. আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰচাৰ কৰা কোনটো অনুষ্ঠান আপোনাৰ মতে শ্ৰেষ্ঠ আৰু কিয়?

প্ৰশ্ন 12. আলেখ্যûþসংগীতালখ্য মানে কি?

প্ৰশ্ন 13. প্ৰযোজক কাক বোলে? অনুষ্ঠান প্ৰযোজনাৰ পৰ্যায়কেইটা চমুকৈ আলোচনা কৰক।

প্ৰশ্ন 14. ৰেডিঅ' জ'কী () মানে কি?